
# ঐক্য আৰু ৰাষ্ট্ৰীয় বিকাশৰ কাৰণে নিষ্ঠাপূৰ্ণ নিমন্ত্ৰণ

## সমাপন ভাষণ,
## হজৰত খলিফাতুল মছীহ চতুৰ্থ
## জলছা ছালানা কাদিয়ান চন ১৯৯১



# ঐক্য আৰু ৰাষ্ট্ৰীয় বিকাশৰ কাৰণে নিষ্ঠাপূৰ্ণ নিমন্ত্ৰণ

**অনুবাদক**
**মজিবৰ ৰহমান মুৰব্বী ছিলছিলা**
**(ইনচাৰ্জ অসমীয়া ডেস্ক)**

| | |
|---|---|
| **নাম কিতাপ** | ঐক্য আৰু ৰাষ্ট্ৰীয় বিকাশৰ কাৰণে নিষ্ঠাপূৰ্ণ নিমন্ত্ৰণ |
| **অনুবাদক** | মজিবৰ ৰহমান মুৰব্বী ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| **মূল** | ইত্তেহাদ আয়ুৰ কাউমি তৰক্কি কে লিয়ে পুৰখুলুছ দাউৰাত |
| **লিখক** | হজৰত মিৰ্জা তাহিৰ আহমদ চতুৰ্থ খলিফা |
| **প্ৰকাশক** | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| **প্ৰথম প্ৰকাশ** | চন ২০২৪, ৫০০ কপি |
| **মুদ্ৰণে** | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,জিলা গুৰদাছপুৰ, পিন, ১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| **Name Book** | Okko aru Rashtriya Bikashr Karone Nishthapurna Nimantran |
| **Translated by** | Mozibar Rahman Murabbi Silsila (Incharge Assamese Desk) |
| **Original** | Ittehad aur Qaumi Taraqqi k liye Purkhulus Dawat |
| **Author** | Hazrat Mirza Tahir Ahmad 4th Khalifa |
| **Published by** | Nazarat Nashr-O-Ishaat Qadian |
| **First Published** | 2024,Copies 500 |
| **Printed at** | Fazle Umar Printing Press Qadian Dist: Gurdaspur,143516 Punjab |

# প্ৰকাশকৰ কথা

হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে ১৯৯১ চনত জলছা ছালানা কাদিয়ানত প্ৰদান কৰা বক্তব্য মাননীয় মজিবৰ ৰহমান চাহাব মুৰব্বী ছিলছিলাই উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰি কমপোজিং কৰিছে। মাননীয় আমান আলী চাহাব (সভাপতি ৰিভিউ কমিটি অসম), মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুৰব্বী ছিলছিলা, মাননীয় ৰহিম বাদশ্বাহ চাহাব মুৰব্বী ছিলছিলা, মাননীয় আব্দুল কাদিৰ চাহাব মুৱাল্লিম ছিলছিলা; এখেতসকলে ৰিভিউ কৰিছে। আল্লাহ্ তায়লা এই কিতাপখন প্ৰস্তুত কৰি উলিৱাওতে সহায় সহযোগিতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আৰ-ৰাবে (ৰহঃ)ৰ সূক্ষ্ম দৃষ্টি আৰু ঐতিহাসিক সামৰণি ভাষণ জলছা ছালানা কাদিয়ান ২৮ ডিচেম্বৰ চন ১৯৯১ ইং

**তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ কৈছে,**

আল্লাহ তা'লাৰ অসীম কৃপা যে অতি সফলতাৰ সৈতে পৱিত্ৰ পৰিৱেশত আৰু ঈমান উদ্দীপক দৃশ্যৰ সৈতে বাৰ্ষিক জলছা যি বিশেষ ভাৱে এক ইতিহাসমূলক জলছা সমাপ্তৰ ফালে অগ্ৰগতি লাভ কৰি আছে। এই জলছা কেইবা ফালৰ পৰা এক ঐতিহাসিক বাৰ্ষিক জলছা হয়। এশ বছৰ পিছত এয়া এক এনেকুৱা শত বাৰ্ষিক জলছাৰ মুখাপেক্ষীত এই জলছা এক ঐতিহাসিক দক্ষতা ৰাখে। এয়া সেই জলছা হয় যি ৪৪ (চৌৰাল্লিছ) বছৰ পিছত ৪৫ (পঞ্চল্লিচ) বছৰত হজৰত মছীহ মাওউদ (আঃ)ৰ খলিফা (প্ৰতিনিধি) নিজে উপস্থিত হোৱাৰ সৌভাগ্য লাভ কৰিছে। এয়া সেই জলছা হয় য'ত ভাৰতবৰ্ষৰ জামাতসমূহ ব্যাপক সংখ্যাৰ সৈতে উপস্থিত হৈছে শত বাৰ্ষিক জলছাৰ ইতিহাসত আজিলৈকে কেতিয়াও সেই ৰাজ্যসমূহৰ পৰা আৰু দূৰ-দূৰান্ত এলেকাৰ পৰা জামাতসমূহ ইমান সংখ্যাত উপস্থিত হোৱা নাই।

কাশ্মীৰৰ পৰা ধাৰণাৰ বাহিৰে বহু সংখ্যক অতিথি আহিছে। শেষত মই কাশ্মীৰৰ পৰা অহা ব্যৱস্থাপনাক সুধিলোঁ তেওঁ কলে প্ৰায় তিনি হাজাৰ আহমদী অতিথিবৃন্দ ইয়াত আহি উপস্থিত হৈছে। উৰিষ্যাৰ পৰা আহোতে তিনি দিন তিনি ৰাতি কষ্টেৰে ভ্ৰমণ অতিক্ৰম কৰিবলগা হয়। বহু দুখীয়া শ্ৰেণীৰ জামাত; দুখীয়া হোৱা সত্ত্বেও নিয়মিত চান্দা আদায়কাৰী জামাত। কিন্তু তাতে বতৰ ইমান গৰমও নহয় ঠাণ্ডাও নহয়। অৰ্থাৎ অত্যন্ত ঠাণ্ডা নহয়। তথাপি ইমান ঠাণ্ডাৰ সময়ত কষ্ট সহ্য কৰি বহু সংখ্যক উৰিষ্যাৰ বন্ধু-বান্ধৱ আৰু মহিলা সকল উপস্থিত হৈছে। যেতিয়া মই সিহঁতৰ বৈঠকত গৈ সুধিলো যে আপোনালোকৰ মাজৰ পৰা কিমান সংখ্যক আছে যিসকলে ইয়াৰ পূৰ্বে

কাদিয়ান অহাৰ সৌভাগ্য লাভ কৰা নাই। এই জলছা এই বিষয়ে বহু কল্যাণ লৈ আহিছে। কিন্তু এতিয়া মই এয়া বৰ্ণনা কৰিবলৈ থিয় হৈছো সেয়া বৰ্ণনা কৰাৰ আগতে মই আচল বিষয়ৰ ফালে উভতি আহো, এয়া কোৱা আৱশ্যকীয় বুলি ভাবো যে এই বাৰ্ষিক জলছাৰ সফলতাৰ বাবে কাদিয়ানৰ অমুছলিম বাসিন্দাসকলৰ সহযোগীতা আৰু সিহঁতৰ স্নেহ-মৰম আৰু নিষ্ঠাৰে সহায় আগবঢ়াইছে। মই ধাৰণাই কৰা নাছিলো যে কাদিয়ানৰ সেই বসতি সকল যিসকল ভাৰতবৰ্ষ বিভাজন হোৱাৰ পিছত ইয়াত বসবাস কৰি আছে, সিহঁতে ইমান উৎফুল্লিত হৃদয়ৰে আমাক স্বাগতম জনাব, ইমান মৰম-স্নেহ প্ৰকাশ কৰিব। মোক জলছাৰ অফিচাৰৰ পৰা প্ৰতিবেদন আহিছে যে, যেতিয়া আমাক ঘৰৰ সমস্যাৱলী আহিলে, কাৰণ ইয়াত দৰৱেশ সকলৰ সংখ্যা বহুত কম। কিন্তু অহা সকলৰ সংখ্যা ধাৰণাৰ বাহিৰে বৃদ্ধি পাইছে অৰ্থাৎ কালিৰ দিনৰ উপস্থিতিৰ সংখ্যা বাইশ হাজাৰৰ অধিক আছিল। কিন্তু সিহঁতৰ ধাৰণা আছিল যে অধিক হলে তেৰ হাজাৰ অতিথিবৃন্দ উপস্থিত হ'ব। কিন্তু যেতিয়া বাইশ হাজাৰৰ অধিক অতিথিৰ গণনা জলছা গাহত কৰা হয় তাৰ অৰ্থ এয়া যে ইয়াত পুৰুষ মহিলা উভয়ে উপস্থিত আছে, আৰু বহু সংখ্যক নিজৰ কামৰ ব্যস্ততাৰ কাৰণে জলছাত উপস্থিত হ'ব পৰা নাই। অৰ্থাৎ এই সময়ত সিহঁতে কৈছে যে, কিছুমান কাদিয়ানৰ বাসিন্দা শিখসকল এয়া জানি ইয়াত উপস্থিত হৈছে যে অতি মৰমেৰে আমাৰ অতিথি সকলক নিজৰ ঘৰত লৈ গৈছে। যেনেকুৱা অতীত কালত কাদিয়ানৰ বিভিন্ন এলেকাত অতিথিৰ জিৰণি কোঠা আছিল,এইবাৰ ধৰ্মীয় মতানৈক্য থকা সত্বেও আৰু পাকিস্তানৰ ৰাজনৈতিক মতানৈক্যও আছিল,অথচ বাহিৰৰ পৰা অহা অতিথি বৃন্দৰ সৈতে সেয়া যিকোনো ৰাষ্ট্ৰৰে হওঁক সিহঁতে ভাল পোৱা আৰু কৃপা দৃষ্টিৰ সৈতে আচৰণ কৰিছে। আল্লাহ তা'লা সিহঁতক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

মানৱ সেৱা ধৰ্মৰ প্ৰথম খোজ। যদি মানৱ সেৱাৰ সুযোগ প্ৰদান হয়, তেতিয়া আল্লাহ তা'লাৰ নৈকট্যপ্ৰাপ্ত হোৱাৰ সকলোবোৰ পথ সহজ হৈ পৰে, আৰু যিয়ে আল্লাহৰ সন্তুষ্টি বিচাৰে, সিহঁতৰ নিশ্চিত ভাৱে মানৱ সেৱাৰ

সুযোগ প্ৰদান হয়। যিমানেই খোদা তা'লাৰ সন্তুষ্টি বিচাৰে সিমানেই সিহঁতৰ ভিতৰত মানৱ সেৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ বৃদ্ধি পায়। এই দুয়ো বস্তুৰ সৈতে পৰস্পৰে পৰস্পৰৰ সৈতে সম্পৰ্ক আছে; কিন্তু এই বিষয়ে মই বৰ আনন্দিত যে ধৰ্মীয় মতানৈক্য নিজৰ স্থানত, কিন্তু আমাৰ পৰিৱেশত মানৱ মৰ্যাদা সুৰক্ষিত কৰি আছে। এই মম্‌বাতি (Candle)ক আলোকিত কৰি ৰখা মানুহও আছে। আল্লাহ তা'লা সিহঁতৰ হৃদয়ক জ্যোতি প্ৰদান কৰক,আৰু সিহঁতৰ মস্তিষ্কত পোহৰ প্ৰদান কৰক, আৰু এক খোদাৰ প্ৰেমত আৱদ্ধ হৈ সেই পন্থা অৱলম্বন কৰিব যি বাটেদি খোদা তা'লাক প্ৰাপ্ত কৰিব পাৰে। এতিয়া মই আপোনালোকক এই ফালে মনোযোগ আকৰ্ষণ কৰিব খুজিছোঁ যে, পৃথিৱী বৰ দ্ৰুত গতিত বিপ্লৱ হৈ আছে, আৰু পৃথিৱীৰ মানচিত্ৰ পৰিৱৰ্তন হ'ব ধৰিছে। এই বিষয়াৱলী সম্বন্ধে বাৰ্ষিক জলছাৰ প্ৰথম ভাষণত আলোকপাত কৰিছোঁ আৰু বেছি বিস্তাৰিত ভাৱে এই বিষয়াৱলীৰ ওপৰত ক'ব নুখোজো। কিন্তু এয়া কোৱা আৱশ্যক যে এই পৰিৱৰ্তনৰ গভীৰ সম্পৰ্ক জামাত আহমদীয়াৰ সৈতে আছে।

'ৰুছ'ৰ বিজয় পৃথিৱীত এখন বিশাল ভূমিকা পালন কৰিছে। পৃথিৱীক বিভিন্ন ভাগত ভাগ কৰিছে। কিন্তু ইয়াৰ পূৰ্বে বিভাজনৰ ধৰণ বেলেগ আছিল। 'ৰুছ'ৰ বিজয় যি বিশ ছদীৰ আৰম্ভণীতে হৈছিল। ১৯১৮-১৯১৯ খ্ৰীঃব্দত এই বিপ্লৱে দ্ৰুত গতিত জোকাৰণি দিছে আৰু নিজৰ উৰ্দ্ধ শ্ৰেণীলৈ পাইছেগৈ। এই বিপ্লৱৰ বিশেষত্ব এয়া আছিল যে পৃথিৱী নতুন দলত বিভাজন হৈছে। ইয়াৰ পূৰ্বে বগা আৰু ক'লাৰ বিভাজন আছিল, উত্তৰ আৰু দক্ষিণ,পূব আৰু পশ্চিমৰ আছিল। কিন্তু ধনী আৰু দুখীয়াৰ বিভাজন প্ৰথম বাৰ পৃথিৱীত দুটা ভাগত বিভক্ত হৈছে। এই বিপ্লব ৰাছিয়াৰ **জাৰৰ** শাসন ভাঙি যোৱাৰ ফলত হয়। এতিয়া যি নৱ বিপ্লব আহিছে, ইয়াত ৰুছ যোৱা সত্তৰ বছৰত যি অৰ্জন কৰিছিল সেয়া হঠাৎ কৰি হেৰুৱাই পেলালে; আৰু এয়া স্বীকৃতি প্ৰদান কৰিলে যে আমি একোৱেই অৰ্জন কৰিব নোৱাৰিলোঁ,মাথোঁ ক্ষতি আৰু লাঞ্ছনা, যাৰ ফলত পৃথিৱীত হঠাৎ কৰি ভূমিকম্পৰ নিচিনা এক প্ৰলয় সৃষ্টি হয়। বিভিন্ন জ্ঞানবান মানুহ বিভিন্ন ধৰণে মত প্ৰকাশ কৰিলে।

এই মত প্ৰকাশত কিমান সত্য, কিমান সিহঁতৰ চিন্তা-ভাৱনা সঠিক দিশত আছিল, এয়া এফালে ৰাখি মই ক'ব বিচাৰো যে, এই দুয়ো বিপ্লৱৰ বিষয়ে আমাৰ খোদা আহমদীয়া জামাতক আগৰে পৰাই সংবাদ প্ৰদান কৰিছিল আৰু এইটো প্ৰবল আৰু শক্তিশালী সংবাদ আছিল। এই কাৰণে পৃথিৱীৰ ধাৰণা যিয়ে নহওঁক তাৰ বিপ্লৱৰ ফলত কি বিকাশ হ'ব পাৰে, যথাসম্ভৱ জামাত আহমদীয়াৰ সম্পৰ্ক, সিহঁতৰ প্ৰথমৰেই পৰাই বিশ্বাস আছিল আৰু এই পৰিস্থিতি প্ৰকাশিত হোৱাৰ পিছত এই বিশ্বাস আৰু দৃঢ় হৈ উঠে যে যি কিছু প্ৰকাশিত হ'ব সেয়া জামাত আহমদীয়াৰ সপক্ষে উত্তম হ'ব, আৰু বিশ্বত জামাত আহমদীয়া উন্নতিৰ এখন মাধ্যম হৈ পৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে খোদা তা'লাৰ পৰা সংবাদ পাই ৰাছিয়াৰ **জাৰৰ** ধ্বংসৰ আৰু ভয়ানক পৰিস্থিতিৰ মানচিত্ৰ নিজৰ এখন নজমত (কবিতাত) উল্লেখ কৰিছে আৰু সেই নজম বিশ্বত এনেকুৱা প্ৰলয়ৰ বিষয়ে আছিল যাৰ সম্পৰ্কে খোদা তা'লা আপোনাক প্ৰলয় আকাৰত সংবাদ দিছিল। কিন্তু হজৰত মছীহ মাওউদ (আঃ)য়ে বিস্তাৰিত ভাবে লিখিছে যে, এই বিশ্বৰ প্ৰলয়ৰ কাৰণে জৰুৰী নহয় যে, এয়া বাহ্যিক ৰূপত প্ৰকাশ পাব। পৃথিৱীৰ ভয়ঙ্কৰ বিপদে যি বিশ্ববাসীক হতবিম্ব কৰি দিয়ে সেয়াও এক ধৰণৰ প্ৰলয়। এই কাৰণে মই নাজানো যে সেয়া কি বিপদ বা মহামাৰী হ'ব। কিন্তু এনেকুৱা ভীতিমূলক আৰু ভয়ঙ্কৰ চিহ্নাৱলী প্ৰকাশ পাবলগীয়া যে গোটেই পৃথিৱী তাৰ সাক্ষী হ'ব।

یک بیک اِک زلزلہ سے سخت جُنبش کھائیں گے

کیا بشر اور کیا شجر اور کیا حجر اور کیا بحار

এতিয়া এয়া চাই লওঁক যে প্ৰলয়ৰ পৰা এই ধৰণৰ পৰিস্থিতি প্ৰকাশ নাপায় নে ? যি ধৰণে ইমান বহল আকাৰত গছ-গছনি,চৰাই-চিৰিকা,ঘৰ-দোৱাৰ,মানুহ আৰু সমুদ্ৰও কঁপি উঠে

اِک جھپک میں یہ زمیں ہوجائے گی زیرو زبر

نالیاں خُوں کی چلیں گی جیسے آبِ رودبار
رات جو رکھتے تھے پوشاکیں برنگِ یاسمن
(یعنی چنبیلی کی طرح سفید پوشاکیں رکھتے تھے)
صبح کردیگی اُنہیں مثلِ درختانِ چنار
بُھولیں گے نغموں کو اپنے سب کبوتر اور ہزار
ہوش اُڑ جائیں گے انساں کے پرندوں کے حواس
مضمحل ہوجائیں گے اس خوف سے سب جنّ وانس
زار بھی ہوگا تو ہوگا اس گھڑی باحالِ زار
اِک نمونہ قہر کا ہوگا وہ ربّانی نشان
آسماں حملے کرے گا کھینچ کر اپنی کٹار

(ৰুহানী খাজাইন,বৰাহিনে আহমদিয়া জিলদ ২১ পৃঃ ১৫১-১৫২)
এতিয়া এই শ্লোক

’’زار بھی ہوگا تو ہوگا اُس گھڑی باحالِ زار‘‘

বহুত চিন্তা-ভাৱনাৰ বিষয় কাৰণ হজৰত মছীহ মাওউদ (আঃ)য়ে যেতিয়া এই শ্লোক কৈছিল, সেই সময়ত **জাৰৰ** শাসন ইংলেণ্ডৰ শাসনৰ পিছত বা তাৰ সমপৰ্যায়ৰ পৃথিৱীৰ সকলোতকৈ ডাঙৰ সন্মানীত আৰু মৰ্যাদাপূৰ্ণ শাসনৰ পিছত বা তাৰ সমান পৃথিৱীৰ সকলোতকৈ ডাঙৰ সন্মানৰ যোগ্যতাপ্ৰাপ্ত আৰু মৰ্যাদাপ্ৰাপ্ত শাসন আছিল। আৰু **জাৰৰ** ভয় দেখি ইউৰোপৰ সৰু বাদশ্বাহৰ হৃদয় কঁপি উঠিছিল। **জাৰৰ** অৱয়ব দেখি জ্ঞানী জাতিবোৰ

ভীতিগ্ৰস্ত হৈ পৰিছিল। কেনেকুৱা সংবাদ আছিল যি হজৰত মছীহ মাওউদ (আঃ)য়ে এই যুগত কৈ আছিল زار بھی ہوگا অৰ্থাৎ যি দিনৰ মই সংবাদ দি আছো সেই দিন সম্ভৱত **জাৰ** সম্পৰ্কে, গোটেই পৃথিৱীৰ পত্ৰিকাই যি খবৰ প্ৰকাশ কৰিছে, উৰ্দুত আছিল "زار کی حالتِ زار" ইংৰাজী আৰু অইন ভাষাৰ পত্ৰিকাত এই বিষয় ভিত্তি আকাৰত উত্থাপন কৰিছে। নিশ্চয় এয়া খোদা তা'লাৰ কালাম আছিল যি নিদৰ্শনৰ সৈতে পূৰ্ণ হৈছে। মাথোন এয়া এক কালাম নাছিল যি নেতিবাচক ভিত্তিত আছিল,অৰ্থাৎ কোনো দুষ্ট বাদশ্বাহৰ বিনাশ। অৰ্থাৎ ইয়াৰ পিছত যি ইলহাম (ঐশ্বৰিক বাণী) আছিল সেয়া ৰুছ বিপ্লবৰ পিছত আহমদীয়তৰ পদোন্নতি আৰু বিকাশ বৃদ্ধি পোৱাৰ সংবাদ আছিল।

কলে, সেই ৰাতি সপোনত দেখা পালো অৰ্থাৎ ৰাছিয়াৰ **জাৰৰ** লাঠী মোৰ হাতত আছে, আৰু তাত গুপ্ত ভাবে বন্দুকৰ নলীও আছিল। দুয়োটা কামত আহে; আৰু দেখিব পাৰিলোঁ যে,সেই বাদশ্বাহ যাৰ ওচৰত **বু আলী ছিনা** আছিল (**বু আলী ছিনাও** ৰুছ এলেকাত আছিল) তাৰ ধনু মোৰ ওচৰত আছিল; আৰু মই সেই ধনুৰ দ্বাৰা এটা সিংহৰ ফালে তীৰ নিক্ষেপ কৰিলোঁ আৰু সম্ভৱত **বু আলী ছিনা** মোৰ ওচৰত থিয় আছে আৰু সেই বাদশ্বাও। (কাপি ইলহামাত হজৰত মছীহ মাওউদ (আঃ) পৃঃ ৪ তজকিৰা পৃঃ ৪৫৮,৪৫৯ এডিশ্বন ১৯৬৯,মতবুৱা ৰাবৱা)

**বু আলী ছিনাক** আজিও পূব ফালৰ মুছলমান এলেকাত সন্মান আৰু মৰ্যাদা আছে,এনেকুৱা মৰ্যাদা সম্ভৱত পৃথিৱীত অইন কোনো জ্ঞানী ব্যক্তিৰ হৈছে; যিয়ে ৰাছিয়া ইংলেণ্ডৰ জলছাত অংশ গ্ৰহণৰ বাবে উপস্থিত হৈছিল। তেওঁ মোক কৈছে যে,প্ৰথমবাৰ তেওঁৰ পৰা মোৰ জ্ঞান অৰ্জন হৈছে যে,**বুখাৰা** আৰু **তাশ্বকনদু** ইত্যাদি এলেকাত **বু আলী ছিনাৰ** কিতাপ **আল কানুন** ইমান বিখ্যাত হৈছিল যে বজাৰত পোৱা টান হৈ গৈছিল, কাৰণ কিতাপখন প্ৰকাশ পোৱাৰ লগে লগে শেষ হৈ গৈছিল। অৰ্থাৎ এয়াই সেই এলেকা যাৰ বিশেষত্বৰ সৈতে এই নতুন যুগত আহমদীয়তৰ ফালে আকৃষ্ট হৈ আছে।

আকৌ হজৰত মছীহ্ মাওউদ (আঃ)য়ে লিখিছে যে,

"মই নিজৰ জামাত ৰাছিয়া এলেকাত বালিৰ নিচিনা দেখা পাই আছো"। (ৰেজিষ্টাৰ ৰিৱায়ত খণ্ড ১২,পৃঃ ১১৪,তজকিৰা পৃঃ ১৮১৩ এডিশ্বন চন ১৯৬৯ ৰাবুৱা)

অৰ্থাৎ বহল ভাৱে বিস্তাৰিত হোৱা দেখা পাই আছো। এয়া হজৰত মছীহ্ মাওউদ (আঃ)ৰ ভৱিষ্যতবাণী আছিল য'ত **জাৰে** ৰুছ্‌ৰ বিপ্লবৰ সৈতে সম্পৰ্ক আৰু দীৰ্ঘ সময় পিছত প্ৰদৰ্শিত হোৱা ঘটনাৰ সৈতে সম্পৰ্কযুক্ত।

এতিয়া মই হজৰত মুচলেহ্ মাওউদ (ৰাঃ)ৰ এটা দিব্য দৰ্শন আপোনালোকৰ সন্মুখত উপস্থাপন কৰিব ধৰিছোঁ যি ১৯৪৭ চনৰ ৩০ মে মাহত আল ফজলৰ ৩৫/১৩৮ খণ্ডত প্ৰকাশ পাইছিল। প্ৰথমে হজৰত মছীহ্ মাওউদ (আঃ)ৰ ৰুছ্ সম্পৰ্কে সেই বিপ্লবৰ সংবাদ আছিল য'ত **জাৰ** ধ্বংস হ'ব তাৰ পিছত বেলেগ শক্তিয়ে ৰুছ্‌ক নিজৰ অধীন কৰি ল'ব।

হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে এয়া সংবাদ দিছিল যে,বেলেগ শক্তিও এতিয়া শেষ হ'বলগীয়া,তাৰ পিছত নতুন পৰিস্থিতি পৃথিৱীত প্ৰকাশ পাব। অৰ্থাৎ হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে লিখিছে,

"পৰহি বা তাৰ পিছদিনা যেতিয়া মই সাৰ পালো তেতিয়া মোৰ হৃদয়ত এই বিষয় অৱতীৰ্ণ হৈছিল যে,(এয়া সপোন নাছিল, দিব্য দৰ্শন আছিল,আৰু ইলহামৰ সদৃশ আছিল) ইংলেণ্ড আৰু ৰুছ্‌ৰ মাজত এটা MODIFIED চুক্তি হৈ গৈছে। যাৰ কাৰণে পূব স্তৰত ইছলামী ৰাষ্ট্ৰসমূহত অস্থিৰতা আৰু ব্যাকুলতা বিস্তাৰ লাভ কৰিছে"।

তেওঁ কলে, MODIFIED ৰ অৰ্থ হ'ল পৰিৱৰ্তিত, ওৱাছতি (মাধ্যম), মই ভাৱো যে, এই শব্দ এইফালে ইঙ্গিত কৰে যে বাহিৰৰ চাপ আৰু কিছু ভীতিৰ কাৰণে ইংলেণ্ডে গুপ্ত ভাবে ৰুছ্‌ৰ সৈতে এনেকুৱা বুদ্ধি পৰামৰ্শ কৰি ল'ব যাৰ কাৰণে ৰাছিয়াৰ চাপ পূব স্তৰত বৃদ্ধি পাব। এই সময়ত মোৰ স্মৃতিত ইৰাক,ফিলিস্তাইন আৰু ছিৰিয়া ৰাষ্ট্ৰ সমূহ আহিছে। অৰ্থাৎ এই ৰাষ্ট্ৰ সমূহৰ ভিতৰত ৰুছ্ আৰু ইংলেণ্ডৰ বুজা বুজিৰ কাৰণে ভীতি আৰু দুশ্চিন্তা সৃষ্টি হ'ব যে ইংলেণ্ড যি কঠোৰ ভাৱে ৰুছ্‌ৰ বিৰোধীতা কৰি আছিল, সিহঁতে

এই বুজা-বুজি কি উদ্দেশ্যত কৰিছিল, যথা সম্ভৱ পৰৱৰ্তী আৰু শেষ পৰ্যায়ৰ প্ৰশ্ন কোৰাণ মজিদ আৰু হাদীছৰ পৰা জানিব পৰা যায় যে,সেই ৰাষ্ট্ৰ সমূহত যুদ্ধ নিশ্চয় হ'ব। কিন্তু কেতিয়াবা ৰাজনীতি উদ্দেশ্যৰ অধীনত শত্ৰুৰ চাপ কম কৰাৰ কাৰণে বা সিহঁতৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ বাবে চৰকাৰে ক্ষন্তেকীয় সংশোধন কৰি লয় যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়। জানিব পৰা যায় ইংলেণ্ড আৰু ৰুছৰ ধাৰণা মতে নিজৰ প্ৰতিৰক্ষামূলক দিক শক্তিশালী কৰাৰ বাবে উপায়হীন হৈ কোনো বুজা-বুজি ৰুছৰ সৈতে কৰি ল'ব। ৰাজনৈতিক চাপ কেতিয়াবা বিশাল আকাৰত ফলাফল সৃষ্টি কৰি দিয়ে, আৰু শাসনকৰ্তাই সেই চাপৰ কাৰণে এনেকুৱা পদক্ষেপ লোৱাৰ বাবে বাধ্য হয়। এনেকুৱা জনা যায় যে ইংলেণ্ড আৰু আমেৰিকা যি সদায় ৰুছৰ উন্নতিৰ বাটত বাধা সৃষ্টি কৰি আহিছে; এতিয়া কিছুমান ৰাজনৈতিক অৱস্থা বা উদ্দেশ্যৰ অধীনতে সেই বিৰোধীতা এৰি দিব; আনফালে ৰুছও যি কিছুমান কথাত ইংলেণ্ড আৰু আমেৰিকাৰ সৈতে দ্বন্দ্ব ৰাখিছিল সেই বিৰোধীতাও এতিয়া এৰি দিব।

ইমান বিস্তাৰিত আৰু পৰিষ্কাৰ ভাৱে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ এই দিব্য দৰ্শন পৰিপূৰ্ণ হৈছে যে সেয়া পঢ়ি আশ্চৰ্য যেন লাগে, আৰু বিশেষ কৰি তিনিটা ৰাষ্ট্ৰ যাৰ ওপৰত ৰুছৰ শক্তি শেষ হৈ যোৱাৰ সকলোতকৈ বেছি নেতিবাচক প্ৰভাৱ হৈ আছে। সেয়া হ'ল ইৰাক, ছিৰিয়া আৰু ফিলিস্তাইন। হজৰত মুচলেহ মাওউদ (ৰাঃ)ক দিব্য দৰ্শনত এই তিনিখন ৰাষ্ট্ৰ দেখুৱা হৈছে আৰু এই সম্পৰ্কে মুছলমান সকলক চিন্তিত কৰি দেখুৱাইছে।

এই অৱস্থা যি এই ধৰণেই প্ৰকাশ পাই আছে। ঐশ্বৰিক ভাগ্যৰ ফলত কিছু পৰিৱৰ্তন অহা পৃথিৱীত জানিব পৰা গৈছে। পশ্চিমীয়া দেশ সমূহ এয়া ধাৰণা কৰে যে, সিহঁতৰ ইচ্ছা অনুযায়ী পৃথিৱীত নতুন মানচিত্ৰ তৈয়াৰ হ'ব; পূবফালৰ জাতিসমূহৰ মাজত বহুতে নিজৰ সৰলতা আৰু অজ্ঞতা বা আত্মভিমানতাৰ ফলত সেই মানচিত্ৰ তৈয়াৰ কৰাত সিহঁতৰ সহযোগী হৈ আছে; যি সিহঁতে সঁচাকৈয়ে গোটেই পৃথিৱীৰ দুৰ্বল জাতিসমূহক চিৰকালৰ বাবে গোলাম হৈ থকাৰ পন্থা অৱলম্বন কৰি আছে; আৰু দুখীয়া

ৰাষ্ট্ৰসমূহ দুটা ধৰ্মত বিভক্ত হৈ জীৱন নিৰ্বাহৰ অভ্যাসত পৰিণত হৈ পৰিছে। সিহঁতে এয়া ভৰাও নাই যে, এইদৰে ভিতৰুৱা বিভাজনৰ ফলত ধনী ৰাষ্ট্ৰসমূহ সিহঁতৰ সৈতে অন্যায় আচৰণ কৰিব। শাসনকৰ্তাই সিহঁতক শিকলিৰে সৈতে বান্ধাৰ সদৃশত পৰিণত কৰি দিব। কিন্তু আজিৰ বিষয়টো ৰাজনৈতিক নহয়। যি কথা মই কৈ আছো সেয়া প্ৰকাশ্য ভাৱে ৰাজনৈতিক হয়, এয়া সত্ত্বেও মই বৰ্ণনা কৰিম যে বিষয়টো ৰাজনৈতিক নহয়। অৰ্থাৎ প্ৰকৃতাৰ্থে সেয়া ধাৰ্মিক আৰু মানুহৰ সহানুভূতিৰ সৈতে সম্পৰ্কিত বিষয়। যেনেকুৱা মই আপোনালোকৰ সন্মুখত মানচিত্ৰ ৰাখিছোঁ যাৰ ফলত দুখীয়া ৰাষ্ট্ৰসমূহৰ মানুহ অধিক পৰিমাণে দুঃখ আৰু কষ্টৰ চিকাৰত আৱদ্ধ হৈ আছে, আৰু সিহঁতৰ কোনো সহায় কৰোঁতা নাই। উচ্চ শ্ৰেণীৰ মানুহ নিজৰ ৰাজনৈতিক কামত আৰু লাভালাভৰ কামত ব্যস্ত। পৰস্পৰ ৰাষ্ট্ৰৰ সৈতে বিৰোধীতাত মগ্ন হৈ এই বিষয়ে একো চিন্তা-ভাৱনা কৰা নাই যে আমাৰ দেশত দুখীয়া মানুহবিলাক কেনে পৰিস্থিতিত আছে? সিহঁতৰ দুবেলাৰ ৰুটীত পেট ভৰা নাই বা এসময়ৰ ৰুটী সিহঁতৰ বাবে যোগাৰ হয় নে নহয়? এফালে দুখীয়া মানুহ যিসকলে দৈনন্দিন হালধীয়া বৰণ হৈ গৈ আছে, সিহঁতৰ চেহেৰা চাই জানিব পৰা যায় যে প্ৰত্যেক দিন সিহঁতৰ তেজ হ্ৰাস পাব ধৰিছে।

আনফালে এনেকুৱা ব্যৱস্থাপনা অব্যাহত আছে যে দুখীয়াৰ তেজ সেই সকল মানুহৰ ফালে সলনি হৈ আছে যিসকলৰ আগৰে পৰা বেছি তেজ আছে। অৰ্থাৎ যদি দুখীয়া  জাতি নিজৰ লাভালাভৰ প্ৰতি লক্ষ্য নাৰাখে আৰু শক্তিশালী আৰু ধনী জাতিৰ ফালে দুখীয়া মানুহৰ তেজ সলনি হোৱাৰ এই শৃঙ্খলা অব্যাহত থাকে তেতিয়া এনেকুৱা সময় আহিব য'ৰ পৰা উভতি অহা অসম্ভৱ হৈ পৰিব,আৰু পৃথিৱীক ভয়ঙ্কৰ ধ্বংসাত্মকৰ ফালে অগ্ৰসৰ কৰি দিয়া হ'ব; যি ধ্বংসাত্মকৰ পৰা বাহ্যিক ৰূপত আমি ৰুছ ধ্বংসৰ ফলত মুক্তি পাব পাৰিছো। এয়া এক ধৰণৰ প্ৰকাশ্য মুক্তি য'ত কোনো ধৰণৰ সততা নাই। প্ৰকৃততে এইবিলাক সকলো বিপদ-আপদৰ কাৰণ খোদা তা'লাৰ পৰা আঁতৰ হোৱাৰ ফলাফল আৰু এই ক্ষেত্ৰত মই বুজাব পাৰো যে, এয়া মাথোঁ ধৰ্মীয় দৃষ্টিকোণত দুনিয়াৰ অৱস্থাৰ ফালে ধাৰণা প্ৰকাশ কৰা

হয়।

মই ভাৰতবৰ্ষত যেতিয়াৰে পৰা আহিছোঁ পৰিদৰ্শন কৰি যি পৰিস্থিতি দেখিবলৈ পাই আছো। শিখ সকলৰ কষ্ট,বা হিন্দু সকলৰ কষ্ট বা মুছলমান সকলৰ কষ্ট, সকলো দুঃখৰ এটাই কাৰণ। এনেদৰে পাকিস্তানত পৰিদৰ্শনৰ সময়ত যেতিয়া মই দেখিবলৈ পাওঁ, আহমদীৰ দুঃখ হওঁক বা অআহমদীৰ দুঃখ হওঁক, খ্ৰীষ্টান সকলৰ দুঃখ হওঁক বা হিন্দু সকলৰ দুঃখ হওঁক। একে ধৰণৰ দুঃখ আছিল; আৰু মোৰ একেই ধৰণৰ অনুভৱ হৈছে। এইদৰে বেলেগ ৰাষ্ট্ৰৰো একেই পৰিস্থিতি। দুখীয়া আৰু দুৰ্বল সকলৰ দুঃখ যেতিয়ালৈকে আমি অনুতাপ কৰাৰ প্ৰৱণতা সৃষ্টি নকৰো তেতিয়ালৈকে আমি খোদা তা'লাৰ নৈকট্যপ্ৰাপ্ত হ'ব নোৱাৰিম; আৰু যিয়ে খোদা তা'লাৰ সন্তুষ্টি বিচাৰে তেওঁৰ কাৰণে এয়া বাধ্যতামূলক যে নিজৰ জীৱনৰ উদ্দেশ্য যেন এয়া হয় যে সকলো মানৱ গৰাকীক পৰস্পৰে পৰস্পৰৰ সৈতে নিকটতম কৰাৰ চেষ্টা কৰা। প্ৰথমে মানুহৰ নিম্ন শ্ৰেণীৰ আৱশ্যকতাৰ বিষয়ে সিহঁতক কওঁক, উন্নত শ্ৰেণীৰ নম্বৰটো পিছত আহিব।

এই বিষয়ে ধৰ্মও বহু কিছু কৰিব লগা আছে; আৰু বিভিন্ন ধৰ্মৰ পথ-প্ৰদৰ্শক সকলৰ ওপৰত বৃহৎ দায়িত্ব অৰ্পিত হয়। কিন্তু এয়া কেনেকৈ হ'ব পাৰে,আৰু কি পদ্ধতি অৱলম্বন কৰিলে যাৰ দ্বাৰা আমি তৃতীয় দুনিয়াৰ ৰাষ্ট্ৰসমূহৰ জনসাধাৰণক একত্ৰিত কৰিব পাৰিম; আৰু তৃতীয় দুনিয়াৰ ৰাজনৈতিক সকলক এয়া দেখুৱাব পাৰো যে, তোমালোকৰ উৰ্দ্ধতা আৰু উন্নতিৰ শেষ লাভালাভ এই কথাৰ সৈতে সম্পৰ্কিত যে, তুমি জনগণৰ সৈতে ভাতৃত্ববন্ধনৰ নিচিনা মৰম স্নেহেৰে পৰস্পৰে পৰস্পৰৰ বাবে কোৰবাণী কৰি জীৱন অতিবাহিত কৰিব,আৰু পশ্চিমীয়া দেশবোৰৰ সকলো পৰিৱেশৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাল সম্পৰ্ক ৰাখিবা। যদি এনেকুৱা নহয় তেতিয়া নতুন মানচিত্ৰ যি পৃথিৱীত উত্থাপন হৈ আছে তাত আপোনাৰ স্থান পূৰ্বতকৈ নিম্ন হ'ব।

ৰুছৰ বিপ্লৱত পৃথিৱীয়ে যি ক্ষেত্ৰতেই দৃষ্টি নিদিয়ক কিয়,সঁচাকৈয়ে এয়া প্ৰকাশ পাইছে যে,ৰাছিয়াৰ ব্যৱস্থাপনা সমাপ্ত হোৱাত এটা লাভ

পৃথিৱীবাসীৰ হৈছিল যে দুখীয়া সকলৰ কাৰণে সহযোগীতাৰ সাদৃশ্য আছিল।সেই শক্তিশালী জাতি লাভৰ উদ্দেশ্যত দুৰ্বল আৰু দুখীয়া জাতিৰ সৈতে সংঘৰ্ষ কৰিছিল; মাজে সময়ে এই কাৰণে সিহঁতৰ সাহস হোৱা নাছিল যে, সেই দুখীয়া সকলৰ অধিকাৰ নষ্ট কৰি দিব। অৰ্থাৎ ৰুছৰ ভয় সদায় সিহঁতৰ মাজত আছিল। এয়া সত্তৰ (৭০) বছৰীয়া ইতিহাসত এনেকুৱা হ'ল যে, বহু দুখীয়া ৰাষ্ট্ৰ মাথোঁ এই কাৰণে বাচি গৈছে যে ৰুছৰ লোভ-লালসা সিহঁতৰ সহযোগীতাৰ নামত আছিল। সেই ৰুছৰ সহযোগীতাৰ ধাৰণা কৰি ইৰাক ভুল কৰিলে যি আপোনালোকৰ সন্মুখতে আছে; আৰু চাওঁক এই নতুন বিপ্লবে কেনেকৈ ইৰাকক ধ্বংস কৰি দিলে। এয়া কোনো তৰ্ক-বিতৰ্ক নহয় যে সেয়া সত্য আছিল নে ভুল আছিল, নে আংশিকভাৱে বা সামগ্ৰিক ভাৱে সেয়া সত্য আছিল, কিন্তু এয়া তৰ্ক-বিতৰ্ক আছিল যে এইদৰে দুনিয়াৰ ইতিহাস হৈ আছিল। এইদৰে এয়া কাৰ্যকৰী হৈছিল, ইয়াত এতিয়া পৰিৱৰ্তন সৃষ্টি হৈছে। ইউৰোপত যি দুখীয়া সকলৰ সহানুভূতিৰ আন্দোলন চলে তাতেও ৰুছৰ এক দূৰত্বৰ প্ৰভাৱ আছিল য'ত সিহঁতৰ শাসন আছিল। সিহঁতৰ মাজত যিসকলে ৰক্ষণা-বেক্ষণশীল দলৰ সৈতে সম্পৰ্কিত মানুহ আছিল সিহঁতে এই ভীতিৰ কাৰণে নিজে জনসাধাৰণৰ অধিকাৰ আগতকৈ বেছি দি থাকিছিল যাতে সিহঁতৰ ভিতৰত ৰুছৰ সাম্যবাদ দ্ৰুত গতিত নাহে অৰ্থাৎ এই প্ৰভাৱ ৰুছৰ বিপ্লবৰ মাজত গভীৰ আছিল। সিহঁতৰ প্ৰস্থান হঠাতে আপোনাৰ অনুভৱ নহ'ব। এনেকুৱা পৰিৱৰ্তন সৃষ্টি হ'ব যাৰ পিছত দুৰ্বল শ্ৰেণীৰ মানুহে নিজকে অস্ত্ৰ বিহীন বুলি ভাৱিব। এই ক্ষেত্ৰত আমাৰ কি কৰা প্ৰয়োজন ? এটা ধৰ্মীয় পথ-প্ৰদৰ্শক হিচাপে মই আপোনালোকক কি উপদেশ দিব পাৰো ? এইটো সেই বিষয় যাৰ সম্পৰ্কে কিছু বিস্তাৰিত বৰ্ণনা কৰিম। হজৰত আকদছ মছীহ মাওউদ (আঃ) যিয়ে আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতা,তেখেত (আঃ)ক খোদা তা'লাই সেই বিপ্লব সম্পৰ্কে বিস্তাৰিত ভাৱে সংবাদ দিছিল। এইটো ডাঙৰ বিষয়, মই এয়া ইয়াত দ্বিতীয় বাৰ ক'ব নিবিচাৰো। কিন্তু তেখেত (আঃ)য়ে ভাৰতবৰ্ষক সেই অসুবিধাৰ সমাধা কৈ দিছিল। তেখেতৰ মৃত্যুৰ আগতে যি সমাপন ভাষণ ভাৰতবৰ্ষৰ

বাসিন্দা সকলক সম্বোধন কৰিছিল আৰু এই ৰিছালা বৰ আবেগৰ সৈতে ভাৰতবৰ্ষৰ বাসিন্দা সকলক উপদেশ দি লিখিছে, যাৰ নাম **পয়গামে চুলাহ অৰ্থাৎ শান্তিৰ বাৰ্তা** মই ইয়াৰ পৰা কিছু উদ্ধৃতি আপোনালোকৰ সন্মুখত ৰাখিব বিচাৰো। তাৰ পিছত মই এই বিষয়সমূহক উত্থাপন কৰিম। তেতিয়া আপোনালোকে পৰৱৰ্তীত আহিবলগীয়া বিষয় সমূহ বুজিব পাৰিব।

তেখেত (আঃ)য়ে কৈছে,

হে দেশবাসী ভাই সকল ! এই সংক্ষিপ্ত ৰিছালা যাৰ নাম পয়গামে চুলাহ (শান্তিৰ বাৰ্তা) তেখেত (আঃ)ৰ জীৱনৰ শেষ মুহূৰ্তত লিখিছে, এই ৰিছালা প্ৰকাশ পোৱাৰ আগতেই তেখেত (আঃ) মৃত্যু বৰণ কৰে। তেখেত (আঃ)ৰ মৃত্যুৰ পিছত এই ৰিছালা প্ৰকাশ পায়।

হে দেশবাসী ভাই সকল ! এই সংক্ষিপ্ত ৰিছালা যাৰ নাম পয়গামে চুলাহ (শান্তিৰ বাৰ্তা) সন্মানৰ সৈতে আপোনালোকৰ সন্মুখত উপস্থাপন কৰিব বিচাৰো, আৰু নিষ্ঠাৰে প্ৰাৰ্থনা কৰো যে সেই সৰ্বশক্তিমান খোদা আপোনালোকৰ হৃদয়ত নিজেই ঐশ্বৰিক শক্তি দান কৰক আৰু আমাৰ সহানুভূতিৰ ৰহস্য আপোনালোকৰ হৃদয়ত যেন মুকলি হয় যাতে আপোনালোকে এই ভ্ৰাতৃত্বৰ উপহাৰক কোনো বিশেষ উদ্দেশ্য আৰু প্ৰবৃত্তিমূলক ধাৰণা নকৰে।

(এয়া ধাৰণা নকৰিব যে, মই নিজৰ কোনো উদ্দেশ্যৰ বাবে কৈ আছো। বিশেষ ভাৱে আপোনালোকৰ উপকাৰ আৰু আমাৰ প্ৰীতিৰ উৎসাহত বাধ্য হৈ মই এয়া লিপিবদ্ধ কৰি আছো)

বন্ধুসকল ! শেষ বিচাৰৰ বিষয়সমূহ বেছি ভাগৰে গুপ্ত থাকে; আৰু সিহঁতৰ ওপৰত পৃথিৱীৰ ৰহস্য মুকলি হৈ যায় যি মৃত্যুৰ পূৰ্বেই মৃত্যু বৰণ কৰে। কিন্তু দুনিয়াৰ পুণ্য আৰু বেয়া প্ৰত্যেকেই চিনিব পাৰে।

এই কথা কোনোবাৰ মাজত গোপন নহয় যে ঐক্যতা এটা এনেকুৱা বস্তু সেই বিপদ যি কেতিয়াও আঁতৰ হোৱা সম্ভৱপৰ নহয় আৰু অসুবিধা যিকোনো প্ৰকাৰে সমাধা হোৱাৰ আশাঙ্খা নাথাকক কিয় সেয়া ঐক্যতাৰ মাধ্যমে সমাধা হ'ব পাৰে। (অৰ্থাৎ পৰস্পৰে পৰস্পৰৰ সৈতে প্ৰেম আৰু

চেনেহৰে বসবাস কৰাৰ ফলত)

এজন বুদ্ধিমানে এই বৰকতৰ পৰা বঞ্চিত থাকিব, সেয়া তাৰ আত্মাই গ্ৰহণ নকৰে। হিন্দু আৰু মুছলমান উভয় এই ৰাষ্ট্ৰত এনেকুৱা জাতি যে কেতিয়াবা কোনো হিন্দু একত্ৰিত হৈ মুছলমান সকলক এই ৰাষ্ট্ৰৰ পৰা ওলাই দিব বা মুছলমান সকলে একত্ৰিত হৈ হিন্দু সকলক বহিষ্কাৰ কৰিব,এতিয়া হিন্দু মুছলমানৰ মাজত পৰস্পৰে পৰস্পৰৰ সৈতে দ্বন্দ্ব হৈ আছে। যদি কোনো জাতি আন জাতিক নিজৰ অশিষ্টাচাৰ অহঙ্কাৰ ভাৱ পোষণ কৰি দুৰ্বল কৰিব বিচাৰে সিওঁ নিম্ন শ্ৰেণীৰ দাগৰ পৰা বঞ্চিত নাথাকিব; আৰু যদি তেওঁ নিজৰ মাজত ওচৰ সম্বন্ধীয়াৰ প্ৰতি সহানুভূতি নাৰাখে তেতিয়া তেওঁৰ নিজৰেই ক্ষতি সাধন হ’ব। যি ব্যক্তি তোমাৰ দুই জাতিৰ কোনো এটা জাতিৰ ধ্বংসাত্মকৰ কথা ভাবি থাকে তাৰ উদাহৰণ সেই ব্যক্তিৰ নিচিনা যিয়ে এটা শাখাত বহি সেই শাখা কাটি আছে। আপোনালোকে আল্লাহৰ কৃপাত জ্ঞানী ব্যক্তি হয়। এতিয়া দ্বন্দ্বক এৰি প্ৰেম চেনেহৰ মাধ্যমে উন্নতি কৰা উচিত আৰু অনুসন্ধানৰ আভ্যৰ্থনাক এৰি সহানুভূতি অৱলম্বন কৰা জ্ঞানী সকলৰ কাম। দুনিয়াৰ অসুবিধাও এটা মৰুভূমিৰ ভ্ৰমণ যি অত্যন্ত গৰম আৰু সূৰ্যৰ উত্তপ্তত কৰা হয়, অৰ্থাৎ এই কষ্টকৰ ভ্ৰমণ অতিক্ৰম কৰাৰ বাবে পৰস্পৰে পৰস্পৰৰ সহায়ত ঠাণ্ডা পানীৰ প্ৰয়োজন আছে যিয়ে এই প্ৰজ্বলিত হোৱা জুইক ঠাণ্ডা কৰিব আৰু পিয়াহৰ সময়ত তেওঁক বচাব।

এই কষ্টৰ সময়ত এই লিখকে সংশোধনৰ ফালে আহ্বান কৰে। কাৰণ উভয়ৰ সংশোধন অতি আৱশ্যকীয়। দুনিয়া বিভিন্ন ধৰণৰ পৰীক্ষাৰ সন্মুখীন হৈ আছে, প্ৰলয় আহি আছে, দুৰ্ভিক্ষ দেখা দি আছে,মহামাৰী বিয়পি আছে এতিয়ালৈকে এয়া অন্ত পৰাই নাই আৰু যিবোৰ সংবাদ খোদা তা’লাই মোক দি আছে সেয়া এই যে যদি দুনিয়া নিজৰ কু-কৰ্মৰ পৰা বিমুখ নহয় আৰু বেয়া কামৰ পৰা তৌবা (অনুতাপ) নকৰে তেন্তে পৃথিৱী ভয়ঙ্কৰ বিপদৰ সন্মুখীন হ’ব। (ৰুহানি খাজাইন,পয়গামে চুলাহ জিলদ নম্বৰ ২৩, পৃঃ ৪৪৩,৪৪৪)

এশ বছৰ অতিক্ৰম হৈ গৈছে এই উপদেশসমূহৰ, আৰু এয়া তেখেতৰ শেষ উপদেশ আছিল আৰু এই উপদেশ মই পুনৰ আপোনালোকৰ সন্মুখত উপস্থাপন কৰি আছো আৰু আবেগিক হৃদয়ৰ সৈতে যে এই উপদেশসমূহৰ ওপৰত মানুহ কোনো ধৰণৰ গুৰুত্ব দিয়া নাই আৰু ভাৰতবৰ্ষ আজিও সেই ধৰণৰ ফিৰকাৰ চিকাৰত আৱদ্ধ,যাৰ কাৰণে পৰস্পৰে পৰস্পৰৰ মাজত সহানুভূতিৰ অভাৱ। এই কাৰণে পৰস্পৰে পৰস্পৰৰ বিপদৰ সন্মুখীন হোৱাৰ সম্ভাৱনা অনুভৱ কৰি আছে যেনেকুৱা ইয়াৰ পূৰ্বত হৈছিল। অৰ্থাৎ বহু ধৰণৰ বিপদৰ আশঙ্কা দেখা পোৱা গৈ আছে। যেনেকুৱা মোৰ আকা আৰু মাউলা হজৰত মছীহ মাওউদ (আঃ)য়ে এশ বছৰ পূৰ্বে কাদিয়ানৰ মঞ্চৰ পৰা ভাৰতবাসীক পুণ্য উপদেশৰ জৰিয়তে সংশোধন আৰু সহানুভূতিৰ ফালে আহ্বান জনাইছিল।

আজি মই এশ বছৰ পিছত তেখেত (আঃ)ৰ অধম গোলাম হিচাপে আপোনালোকৰ সকলোকে এই ভ্ৰাতৃত্ববন্ধন আৰু সহানুভূতিৰ ফালে আহ্বান জনাও।

যদি কোনো ধৰণৰ সংশোধনৰ বাবে হিন্দু চাহাব সকল প্ৰস্তুত হয় আৰু সিহঁত আমাৰ নবী (ছাঃ)ক সত্য নবী বুলি মান্য কৰে আৰু পৰৱৰ্তীত কোনো ধৰণৰ অপবাদ আৰু মিছা কোৱা এৰি দিয়ে তেতিয়া পোনপ্ৰথম মই এই চুক্তিত চহী কৰাৰ বাবে প্ৰস্তুত আছো যে আমি আহমদী ছিলছিলাৰ লোক সকলে সদায় বেদৰ সত্যায়ন কৰিম আৰু বেদ আৰু তাৰ ঋষি সকলক সন্মান আৰু শ্ৰোদ্ধাৰ সৈতে নাম উচ্চাৰণ কৰিম। (ৰুহানি খাজাইন পয়গামে ছুলাহ জিলদ নম্বৰ ২৩)

এয়া সেই কথা যি বিষয়ে মই বিস্তাৰিত ভাৱে বুজাব খোজো, পৃথিৱীত শান্তি বিস্তাৰ লাভৰ কাৰণে পোনপ্ৰথমে ধৰ্মৰ নিয়মাৱলী পালন কৰা আৱশ্যকৰণীয়। কিন্তু বৰ পৰিতাপৰ বিষয় যে সকলোতকৈ বেছি অশান্তি বিস্তাৰ লাভ কৰাৰ বাবে ধৰ্মক ব্যৱহাৰ কৰা হয়। আচৰিত কথা এয়ে যে এক খোদাৰ ভৃত্য, এক খোদাৰ পূজনীয় মাথোঁ এই কাৰণে অইনৰ খোদাৰ উপাসনা কৰাৰ পদ্ধতি পৃথক বা সিহঁতৰ ধৰ্মৰ শিক্ষাৰ বিৱৰণ বেলেগ,

সিহঁতে আল্লাহৰ নামৰ পৰিৱৰ্তে ৰবৰ নাম লয়। সিহঁতে ৱাহে গুৰুৰ নামৰ পৰিৱৰ্তে পৰমেশ্বৰৰ নাম লৈ পৰস্পৰে হত্যাৰ শিক্ষা দিয়ে,পৰস্পৰে পৰস্পৰৰ তেজ বোৱাৰ শিক্ষা দিয়ে, এয়া কেনেকুৱা খোদা, যিয়ে এই ধৰণৰ শিক্ষা দিব পাৰে। অৰ্থাৎ পৃথিৱীত এখন নতুন বিপ্লৱ অনাৰ প্ৰয়োজন আছে,সকলো ধাৰ্মিক নেতৃবৃন্দ যিসকলে ভাৰতবৰ্ষত কিছু কামৰ প্ৰভাৱ বিস্তাৰ লাভ কৰিছে বা কোৱাৰ প্ৰয়োজন সেয়া যি আপোনালোকৰ হাততে আছে। আপোনালোকে ইচ্ছা কৰিলে নিজৰ জাতিক সৌভাগ্যবান বনাই দিব পাৰে বা নিজৰ জাতিৰ তকদিৰ বেয়া কৰি দিব পাৰে। যদি আপোনালোকে জাতিৰ তকদিৰ (ভাগ্য) ধ্বংস কৰি দিয়ে তেতিয়া মাথোন ভৃত্যই ভৃত্যক পৃথক নকৰিব অৰ্থাৎ ভৃত্যক খোদাৰ পৰাও পৃথক কৰি দিব; আৰু নিজৰ সম্বন্ধ চিৰকালৰ বাবে নিজৰ খোদাৰ পৰা আৰু খোদা তা'লাৰ ভৃত্যৰ পৰা পৃথক কৰি দিব। এয়া সেই জিহাদ যাৰ ফালে মই আপোনালোকক আহ্বান কৰো যি বিষয়ে মই আপোনালোকক বিস্তাৰিত ভাবে ক'ব বিচাৰো যে প্ৰত্যেক ধৰ্মৰ শিক্ষা এয়া যে মানৱ আৰু মানৱৰ মাজত সহানুভূতি সৃষ্টি কৰা আৰু খোদা আৰু মানুহৰ মাজত প্ৰেম স্নেহ সৃষ্টি কৰা।

অৰ্থাৎ ধৰ্মৰ পথ-প্ৰদৰ্শকে যদি খোদাৰ নামত কোনোবাক হিংসা বিদ্বেষ ভাৱৰ শিক্ষা দিয়ে তেতিয়া দুটা ফলাফলৰ এটা ফলাফল নিশ্চয় ওলাব লাগিব যে হয়তো ধৰ্ম মিছা নতুবা ধৰ্মীয় পথ-প্ৰদৰ্শক মিছলীয়া। সেই সময়তে দুয়ো সত্য হ'ব নোৱাৰে। এতিয়া মই কওঁ মই মুছলমান হওঁ আৰু সঁচাকৈয়ে মুছলমানেই এই ৰহস্য লাভ কৰিছে যে দুনিয়াত সকলো ধৰ্ম পোন প্ৰথমে সত্য আছিল; এটাও নাছিল যাক মিছা বুলি ক'ব পাৰো। পিছত মিছলীয়া সকলে ইয়াত পৰিৱৰ্তন আনিছে আৰু আপোনালোকৰ সন্মুখতে আছে যে এয়া কেনে ধৰণে পতিৱৰ্তন হ'ল,যেতিয়া সূৰ্যৰ নামত অন্ধকাৰ বিয়পাবৰ চেষ্টা কৰা হয়,আৰু যেতিয়া সকলোতকৈ বেছি প্ৰেম কৰা খোদা তা'লাৰ নামত হিংসা বিদ্বেষৰ শিক্ষা দিয়া হয় তেতিয়া ধৰ্মত সাল-সলনি আহে। এইদৰে মানুহ আৰু মানুহৰ দূৰত্ব বৃদ্ধি পাব ধৰে, কিন্তু স্মৰণ ৰাখিব সেই দূৰত্ব মাথোন পৰস্পৰে পৰস্পৰৰ মাজতেই নহয় অৰ্থাৎ খোদা

তা'লাৰ সৈতেও দূৰত্ব সৃষ্টি হ'ব ধৰে, কাৰণ সেই খোদা তা'লাৰ ভৃত্য যিয়ে পৰস্পৰে পৰস্পৰৰ মাজত বিদ্বেষ ভাৱ ৰাখে, আল্লাহ্ কেতিয়াও সিহঁতক ভাল নাপায়, সিহঁতক কেতিয়াও প্ৰেম নকৰে। অৰ্থাৎ ৰাজনৈতিক পথ-প্ৰদৰ্শক সকলে বিস্তাৰিত কৰা বিপদসমূহ মানৱৰ কাৰণে এই পৃথিৱীত ধ্বংসাত্মক আকাৰত বিস্তাৰিত কৰি আছে। ধৰ্মীয় পথ-প্ৰদৰ্শক সকলে যদি বিপদসমূহ বিস্তাৰিত কৰে তেতিয়া ধৰ্মও হাতৰ পৰা যাব আৰু দুনিয়াও হাতৰ পৰা যাব,দুয়ো ঠাইতে ধ্বংসৰ সংকেত দেখা দিব।

মই যথা সম্ভৱ ধৰ্মৰ অধ্যয়ন কৰিছোঁ,মই প্ৰত্যেক ক্ষেত্ৰত আৰম্ভণীতে অতি পৱিত্ৰতা আৰু প্ৰেম স্নেহ একত্ববাদৰ শিক্ষাই পাইছো। এই বিষয়ে মই শিখ আৰু হিন্দু সকলৰ পৱিত্ৰ কিতাপসমূহৰ কিছুমান উদ্ধৃতি উপস্থাপন কৰিম। যাৰ পৰা আপোনালোকৰ ধাৰণা হৈ যাব যে ধৰ্মৰ প্ৰাৰম্ভিক তৌহিদৰ দ্বাৰা (একত্ববাদৰে) হৈছে, আৰু প্ৰত্যেক ধৰ্মৰ সঠিক পথ-প্ৰদৰ্শক যি প্ৰথমে আছিল তেখেত সকল সকলোৰে এক খোদাৰ শিক্ষা দি গৈছে; আৰু এয়া আৱশ্যকীয় আছিল যে যদি এক খোদা নহয় তেতিয়া মানুহ কেতিয়াও ঐক্যবদ্ধ হ'ব নোৱাৰে। যদি মাতৃ বেলেগ বেলেগ থাকে তেতিয়া ঘৰত অশান্তি সৃষ্টি হ'ব ধৰে। যদি দেউতা বেলেগ বেলেগ হয় তেতিয়া ৰিস্তা সম্পৰ্ক ভাঙি যায়। বংশধৰৰ মাজত বিভিন্ন ধৰণৰ হিংসা ভাৱ বৃদ্ধি পাব ধৰে। ভ্ৰাতৃত্ব বন্ধনত দূৰত্ব আহি যায়। যদি এই সকলোবিলাক এই পৃথিৱীত হয় তেতিয়া কেনেকৈ সম্ভৱ যে আমাৰ সৃষ্টিকৰ্তা,মালিক আৰু সৃজন কৰোঁতা ভিন্ন ধৰণৰ, আৰু আমি এই নিৰ্বোধ সপোনত আৱদ্ধ থাকি পৰস্পৰ পৰস্পৰে প্ৰেম স্নেহ কৰিম; এয়াই সত্য যে সকলো ধৰ্মই সৰ্বদা প্ৰথমে তৌহিদৰ শিক্ষা প্ৰদান কৰিছে। পঞ্জাৱত বেছি সংখ্যক হিন্দু আৰু শিখ আৰু এই দেশৰ পৰা এই সময়ত আপোনালোকৰ সৈতে কথা-বতৰা হৈ আছে। এই কাৰণে মই শিখ আৰু হিন্দু সকলৰ পৱিত্ৰ কিতাপসমূহৰ পৰা কিছু উদ্ধৃতি লৈছো যাতে আপোনালোকক স্মৰণ কৰাব পাৰো যে আপোনালোকৰ বুজুৰ্গ আৰু খোদা ভীৰু ব্যক্তিসকলে আপোনালোকৰ পৰা কি ভৰসা ৰাখিব

পাৰে।

**হজৰত মছীহ মাওউদ (আঃ)য়ে এই সম্পৰ্কে কৈছে যে,**

মানৱ সকলৰ সৈতে সহানুভূতি সৃষ্টি কৰা তৌহিদ অবিহনে হ'ব নোৱাৰে আৰু এয়া সেই পয়গাম যি মই নিজেই আপোনালোকৰ ধৰ্মৰ ভাষ্য আপোনালোকলৈ পৌচাবলৈ ইচ্ছা কৰিছোঁ,

শিখমত (শিখধৰ্ম) আজিৰ পৰা পাঁচ শ বছৰ আগতে হজৰত **বাবা নানক** চাহাবৰ মাধ্যমে অস্তিত্বত আহিছে আৰু পূৰ্বৰ গুৰুৰ শিক্ষা আমাৰ সন্মুখত গুৰুগ্ৰন্থ আকাৰে প্ৰস্তুত আছে; আৰু বহু সুন্দৰ শিক্ষা আছে সেয়া পঢ়ি কেৱল আধ্যাত্মিক উন্নতি লাভেই নহয় বৰং ধৰ্মৰ একত্ববাদৰ বিশ্বাস বৃদ্ধি পায় আৰু এই শিক্ষাৰ জৰিয়তে মানৱ এই বিশ্বাসত এক শ শতাংশ প্ৰতিষ্ঠিত হয় যে সেয়া এক খোদা যি প্ৰত্যেক ঠাইত সেইজনাৰ পোহৰ আছে আৰু প্ৰত্যেক ধৰ্মই সংশোধনৰ বাবে এক খোদাৰ ফালে পথ-প্ৰদৰ্শন কৰি থাকে।

মই দুঃখিত যে মোৰ গুৰমুখী পঢ়াৰ দক্ষতা নাই; আৰু মই পছন্দ নকৰো যে আপোনাৰ ধৰ্মীয় শিক্ষাৰ পৱিত্ৰ ইবাৰত (বাক্য) সমূহ ভুল আকাৰে পঢ়ি আপোনালোকৰ সন্মুখত উপস্থাপন কৰো। এই কাৰণে মোক ক্ষমা কৰিব যদিও মই মাথোন অনুবাদ উপস্থাপন কৰো।

গুৰুগ্ৰন্থ চাহাব পৃঃ ১৮৮ পুৰী মহল্লা পঞ্চমত এই ইবাৰত উল্লেখ আছে, যিয়ে নিজৰ **অহে গুৰু,**অৰ্থাৎ খোদা তা'লাৰ প্ৰাৰ্থনা নকৰে, সিহঁতৰ জীৱন কোনো কামৰ নহয়, সিহঁতে নিজৰ মৃত্যু নিজেই বৰণ কৰে।
এয়া সেই পৱিত্ৰ উপদেশ, যিয়ে মোক কোৰাণ মজিদৰ এক আয়াতৰ অংশ স্মৰণ কৰোৱায়,

اِنَّ الَّذِيْنَ يَسْتَكْبِرُوْنَ عَنْ عِبَادَتِيْ
سَيَدْخُلُوْنَ جَهَنَّمَ دٰخِرِيْنَ (40:61)

গুৰু অৰ্জুন দেৱ চাহাবে ডাঙৰ এহছান কৰিছে যে মাথোন শিখ জাতিৰ ওপৰতেই নহয় বৰং বেলেগ মানুহৰ ওপৰতো প্ৰথমে পাঁচ গুৰুৰ পৱিত্ৰ

শিক্ষা সমূহও এই পৱিত্ৰ কিতাপ আকাৰে সুৰক্ষিত কৰিছে।

আন এক স্থানত উল্লেখ কৰিছে,

”آپ گنوایئے تاں شو پایئے اور کیسی چترائی۔“

(تلنگ محلہ پہلا گرو گرنتھ صاحب صفحہ ۷۲۲)

অনুবাদঃ নিজকে কোৰবান (আত্মসমৰ্পণ) কৰিহে খোদা পোৱা যায়,ইয়াতকৈ বেছি আৰু কি বুদ্ধিমানৰ কথা হ’ব পাৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে এটা শ্লোকত এই বিষয়সমূহ এনেদৰে বৰ্ণনা কৰিছে,

عاشق جو ہیں وہ یار کو مر مر کے پاتے ہیں

(روحانی خزائن (براہین احمدیہ حصّہ پنجم) جلد نمبر ۲۱ صفحہ ۱۷)

আল্লাহ পৱিত্ৰ, কেনেকুৱা একেই ধৰণৰ কালাম। যিয়ে খোদা ভীৰু সিহঁতৰ চিন্তা-ভাৱনাও একেই ধৰণৰ, সিহঁতৰ কালামও একেই ধৰণৰ।

عاشق جو ہیں وہ یار کو مَر مَر کے پاتے ہیں
جب مر گئے تو اُسکی طرف کھینچے جاتے ہیں
جو مر گئے انہی کے نصیبوں میں ہے حیات
اِس راہ میں زندگی نہیں ملتی بجز ممات

(روحانی خزائن (براہین احمدیہ حصّہ پنجم) جلد نمبر ۲۱ صفحہ ۱۷)

যিসকলৰ মৃত্যু হয় সিহঁতকেই জীৱন উপলব্ধি হয়, আৰু মৃত্যু অবিহনে এই অভিযানত জীৱন উপলব্ধি হ’ব নোৱাৰে।

গুৰুগ্ৰন্থ চাহাব পৃঃ নং ৯ আছা মহল্লা প্ৰথমত এই ইবাৰত উল্লেখ আছে,

سانچے نام کی لاگے بھوک

اُت بھوکھ کھائے،کھائے چلئے دھوک

সত্য খোদাৰ নামত মোক ভোক লাগিছে। ছুবহানাল্লাহ কেনেকুৱা কালাম, যেনেকুৱা মানুহ ভোকত উত্তেজিত হয় ৰুটীৰ কাৰণে,যিমান পলম হয় সিমানেই তাৰ ভোকৰ চাহিদা বৃদ্ধি পাব ধৰে,যেতিয়া খাদ্যই তেওঁৰ ভোক নিবাৰণ কৰে সেই খাদ্য তেতিয়া তেওঁৰ জীৱনৰ অংশ হৈ পৰে; যাৰ পৰা সঠিক তেজ সৃষ্টি হয়। সেই খাদ্যৰ দ্বাৰা শৰীৰ বিকাশ পায়,হৃদয় শক্তিশালী হ'ব ধৰে আৰু মস্তিষ্কত শক্তি আহিব ধৰে। অৰ্থাৎ যিসকলে খোদাক ভাল পায় সিহঁতৰ কাৰণে খোদা তা'লাৰ আদেশ তেনেকুৱাই যেনেকুৱা ভোকাতুৰৰ কাৰণে ভাল খাদ্য।

কৈছে ঃ

সত্য খোদাৰ নামত মোৰ ভোক লাগে আৰু মোৰ সকলো ধৰণৰ কষ্ট, অসুবিধা খোদা তা'লাৰ নামৰ ভোকত আঁতৰ হৈ যায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে ইয়াৰ লগত মিল খোৱা বিষয়সমূহক এইদৰে বৰ্ণনা কৰিছে,

ہیں تیری پیاری نگاہیں دلبرا ایک تیغ تیز

جس سے کٹ جاتا ہے سب جھگڑا غم اغیار کا

(روحانی خزائن (سرمہ چشم آریہ جلد نمبر ۲ صفحہ ۵۲)

হে মোৰ আকা ! তোমাৰ দৃষ্টিত যি আছে সেয়া মোৰ কাৰণে এখন তীক্ষ্ণ তৰোৱাল হৈ যোৱা, যাৰ দ্বাৰা শত্ৰুৰ সেই আক্ৰমণ যি মোৰ ওপৰত কৰাৰ ইচ্ছুক হয় সেই সকলোবিলাক কাটি শেষ হৈ যায়। অৰ্থাৎ বেলেগৰ পৰা পৃথক হৈ যাওঁ আৰু কোনো ধৰণৰ ভ্ৰূক্ষেপ নকৰো, মোক কেৱল তোমাৰ প্ৰেমৰ কাৰণে শান্তিময় জীৱন প্ৰাপ্ত হয়।

جے ہوئے نمانی سیو کماوِے
تان پَرِیتم ہووے مَنٗ پیاری
(آسا محلہ پنجم گروگرنتھ صفحہ ۳۷۷۔۷۸)

অনুবাদ ঃ নিজৰ পৰা গৌৰৱ সমাপ্ত কৰা আকৌ খোদা তা'লাক স্মৰণ কৰা তেতিয়া খোদা তা'লাৰ প্ৰিয় হৈ যাবা।
হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,

جو خاک میں ملے اُسے ملتا ہے آشنا
اے آزمانے والے ! یہ نسخہ بھی آزما
چھوڑو غرور و کبر کہ تقویٰ اِسی میں ہے
ہوجاؤ خاک مرضئ مولیٰ اسی میں ہے
(روحانی خزائن (براہین احمدیہ حصّہ پنجم) جلد نمبر ۲۱ صفحہ ۱۷)

এতিয়া কওঁক নামৰ পৰা কি পাৰ্থক্য হয় ? যদি হৃদয়ৰ প্ৰেম আল্লাহৰ প্ৰতি একে ধৰণে বৈ থাকে। যদি মানৱ জাতিক একে ধৰণে খোদাৰ ফালে অহাৰ সঠিক শিক্ষা দি থাকে; এয়াই সঠিক শিক্ষা হয়, নাম পৰিৱৰ্তন কৰাত কি পাৰ্থক্য হয় ?

হজৰত কবিৰ ভগত চাহাবকও শিখ দুনিয়াত বৰ মান সন্মানৰ সৈতে দেখিবলৈ পোৱা যায়। গুৰুগ্ৰন্থ চাহাবত তেখেতৰ উদ্ধৃতি পোৱা যায়,এঠাইত লিখিছে,

اوّل اللہ نُو اُپایا قُدرت کے سب بندے
ایک نور تے سب جگہ اُپ جِیا کون بھلے کو مندے
(گروگرنتھ صاحب صفحہ ۱۳۴۹ پر بھاتی راگ)

অৰ্থাৎ প্ৰথম অস্তিত্ব খোদাৰ হয়, আৰু সেইজনাৰ জ্যোতিৰ আৰু সৰ্বশক্তিৰ সকলোৱে ভৃত্য হয়; আৰু একেই জ্যোতিৰ পৰা বিশ্বৰ সকলো বস্তু অস্তিত্বত আহিছে, সেই কাৰণে কোনোবাক ভাল কোনোবাক বেয়া কোৱা ভুল। সকলোৰে সৈতে প্ৰেম কৰা খোদা তা'লাৰ সৈতে প্ৰেম কৰা হয়।

কোৰাণ কৰিমত অসংখ্য এনেকুৱা আয়াত পোৱা যায় য'ত এই বিষয়ক বিভিন্ন আকাৰে বৰ্ণনা কৰা হৈছে,

اَللّٰہُ نُوۡرُ السَّمٰوٰتِ وَالۡاَرۡضِ(النور آیت٣٦)

চোৱা, আল্লাই হয়, যিয়ে কেৱল মানৱ সকলৰেই নহয়, আকাশ আৰু পৃথিৱীৰো জ্যোতি, প্ৰত্যেক ঠাইত সেই জ্যোতি দেখিবলৈ পোৱা যায়, যুগৰে পৰা আচলতে ভালপোৱাৰ পৰিপূৰ্ণ শিক্ষা সেইজনৰ মাজত পোৱা যায় যাৰ এক খোদাৰ সৈতে সম্পৰ্ক দৃঢ় হৈ যায়; যিয়ে খোদাৰ তৌহিদ বুজিব পাৰে সিহঁতে পৰস্পৰে পৰস্পৰৰ প্ৰতি হিংসা বিদ্বেষ ভাৱ আনিব নোৱাৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই বিষয়টো এনেকুৱা ভাৱে বৰ্ণনা কৰিছে,

খোদা আকাশ আৰু পৃথিৱীৰ নুৰ; প্ৰত্যেক জেউতি যি উচ্চ স্থানত আৰু নিম্ন স্থানত দেখিবলৈ পোৱা যায় যদিও সেয়া আধ্যাত্মিক বা বাহ্যিক হিচাপে,যদিও সেয়া নিজস্ব বা অস্থায়ী আৰু যদিও সেয়া প্ৰকাশ্য বা গোপনীয়,আৰু যদিও সেয়া মস্তিষ্কত আৰু বাহিৰত, সেইজনাৰেই দান। এয়া এই কথাৰ ফালে ইঙ্গিত কৰে যে, হজৰত ৰাববুল আলামিনৰ সাধাৰণ ফয়েজ (লাভালাভ) প্ৰত্যেক বস্তুৰ ওপৰত আৱৰি আছে আৰু কোনেও তাৰ লাভালাভৰ পৰা বঞ্চিত নহয়। (ৰুহানি খাজাইন, বৰাহিনে আহমদিয়া,পৃঃ ১৮১ হাশিয়া)

এই ৰ'দ চাওঁক গোটেই পৃথিৱীত একেই ধৰণৰ পোহৰ আলোকিত কৰে। এই বৰষুণ একেই ধৰণৰ কল্যাণ প্ৰত্যেক ঠাইত বৰ্ষিত কৰে, এই একেই বায়ু যাৰ দ্বাৰা হিন্দু, শিখ, খ্ৰীষ্টান বৌদ্ধিয় সকলোৱে জীৱনৰ শক্তি

আহৰণ কৰি আছে। অৰ্থাৎ এক খোদা সকলোৰে ওপৰত কেনেকৈ এক সাধাৰণ ফয়েজ (লাভালাভ) অব্যাহত ৰাখিছে,আমি কেনেকৈ সেই খোদাৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰো যদি আমি পৰস্পৰে পৰস্পৰৰ প্ৰতি হিংসা বিদ্বেষৰ শিক্ষা দিওঁ।

হজৰত মহম্মদ (ছাঃ)য়ে এই বিষয়ে এঠাইত অতি সুন্দৰ আৰু গভীৰ জ্ঞানৰ কথা আমাৰ সন্মুখত উপস্থাপন কৰিছে। তেখেত (ছাঃ)য়ে কৈছে, মাকৰ পেটৰ ভিতৰত যি থৈলাত শিশু জন্ম লয় আৰবীত তাৰ নাম **ৰহম** ৰখা হৈছে আৰু **ৰহম** জাতৰ পৰা খোদায়ে ৰহমান নাম ওলাইছে। যিসকলে ৰিস্তাৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰে,সি দুনিয়াৰ ৰিস্তাৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰে সি ৰহমান খোদাৰ পৰা নিজৰ সম্পৰ্কও বিচ্ছিন্ন কৰে।
অৰ্থাৎ এইটো এনে শিক্ষা যি আপুনি পৃথিৱীৰ সকলো ধৰ্মত দেখিবলৈ পাব। এই কাৰণে কোৰাণ মজিদ এই দাবী কৰে যে,

فِيۡهَا كُتُبٌ قَيِّمَه (سورة البينه:٤)

এয়া সেই কালাম যি পৃথিৱীৰ শিক্ষাৰ পৰা পৃথক হৈ অপৰিচিত শিক্ষা দিবলৈ অহা নাই, অৰ্থাৎ ইয়াত গোটেই পৃথিৱী জীৱিত থাকিবলগীয়া শিক্ষাৰ নমুনা (আদৰ্শ) তুমি দেখিবলৈ পাবা।

গুৰুগ্ৰন্থ চাহাব, শ্লোক ওৱাৰা মহল্লা প্ৰথম পৃঃ ১৪১২ ত অতি সুন্দৰ শ্লোক উল্লেখ কৰিছে ঃ

جَو تَو پریم کھیلن کاچاؤ
سِرُ دَھرُ تلی گلِی میری آؤ
رات مَارگ پیر دھری جے
سِرُ دیجے کان نہ کیجے

অনুবাদ ঃ যদি খোদাৰ প্ৰতি ভালপোৱাৰ ইচ্ছা আছে, তেতিয়া এই অভিযানত নিজৰ মূৰ কৰতলত আনা। যদি আপুনি এই পথত পৰিচালিত হ'ব বিচৰা

তেতিয়া নিজৰ মূৰ দিয়াত আওকাণ নকৰিবা।
হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,

تیرے کوچے میں کن راہوں سے آؤں
دہ خدمت کیا ہے جس سے تجھ کو پاؤں
محبت ہے کہ جس سے کھینچا جاؤں
خدائی ہے خودی جس سے جلاؤں

(درثمین صفحہ ۵۰،طابع نظارت اشاعت ربوہ مطبع ضیاءالاسلام پریس ربوہ)

যেতিয়ালৈকে মই নিজকে আত্মসমৰ্পন নকৰো তেতিয়ালৈকে মই তোমাৰ বাট পাব নোৱাৰো কিন্তু মই নিজকে বিলীন কৰি দিওঁ এয়াও তোমাৰ হাততেই। খোদা সত্য। নিজকে বিলীন কৰি দিয়া এয়া অবিহনে মানুহ খোদাক প্ৰাপ্ত কৰিব নোৱাৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ কিতাপ **ছত বচ্চনত** অসংখ্য শিখ বুজৰ্গানৰ উদ্ধৃতি উল্লেখ কৰিছে আৰু এই ফলাফল ওলাইছে যে শিখ ধৰ্মৰ শিক্ষা আৰু ইছলামৰ শিক্ষাত কোনো ধৰণৰ পাৰ্থক্য নাই,আৰু এটা জেউতিৰ পৰা প্ৰস্ফুটিত নিজৰা বৈ গৈছে; আমি কিয় পৰস্পৰে পৰস্পৰৰ সৈতে বিৰোধ কৰো,আমি কিয় পৰস্পৰে পৰস্পৰৰ পৰা আঁতৰত থাকিম। কিন্তু তেখেত (আঃ)য়ে এই ফলাফল মাথোন শিখ আৰু মুছলমানৰ সম্পৰ্কেই ওলোৱা নাই বৰং হিন্দুয়িজম আৰু ইছলামৰ সম্পৰ্কেও প্ৰকাশ কৰিছে। তেখেত (আঃ)য়ে মুকলি ভাৱে এই হিদায়ত প্ৰদান কৰিছে যে যেতিয়ালৈকে পৃথিৱীৰ গোটেই ধৰ্মৰ অনুসাৰী সকলে এই বুনিয়াদী বিশ্বাসৰ ফালে উভতি নাহে যে সিহঁত সকলোৱে এক সত্য খোদাৰ সমুদ্ৰৰ পৰা প্ৰস্ফুটিত আৰু সেই এক সত্য খোদাৰ জেউতিৰ পৰা পোহৰ প্ৰাপ্ত কৰিছে, তেতিয়ালৈকে পৃথিৱীত সঠিক শান্তি স্থাপিত হ'ব নোৱাৰে।

অনেক উদ্ধৃতি আছে যিবোৰ সময়ৰ নাটনিৰ কাৰণে এৰি আছো,এখন কিতাপ আছে “জপ জি ও শুখ মনি চাহাব” এই কিতাপ শিখ সকলৰ

সংগীত,আল্লাহ্ তা'লাৰ প্ৰতি প্ৰেমৰ কথা উল্লেখ আছে,তাৰ অনুবাদ খাৰাজা দিল মহম্মদ চাহাবে উৰ্দু নজম আকাৰে কৰিছে। ইয়াৰ পৰা কিছু শ্লোক আপোনাক শুনাব খোজো।

ایک اُونکار خُدا ہے واحد　سچا جس کا نام
کرتا دھرتا دُنیا کا بے ڈر　بے لاگ مدام
موت سے بالا پاک جنم سے　قائم اپنے آپ
اپنے گُر کی رحمت سے　تُو نام اُسی کاجاپ
سچّا روزِ اَزل سے پہلے　سچاروزِ ازل بھی وہ
سچّا ہے وہ آج بھی نانک　سچّا ہوگا کل بھی وہ

(جپ جی صاحب وسکھ منی صاحب صفحہ ۳ (خواجہ دل محمد صاحب) ناشر آزاد بک ڈپو ہال بازار امرتسر)

এতিয়া এই শিক্ষা পঢ়াৰ পিছত হৃদয় নিজে নিজেই প্ৰেমত উৎফুল্লিত হয় আৰু এক খোদাৰ প্ৰতি প্ৰেমৰ উদ্ৰেক হৃদয়ত সৃষ্টি কৰে; আৰু এয়া সেই কালাম যি প্ৰত্যেক মুছলমানক কোৰাণ কৰিমৰ নিৰ্ধাৰিত আয়াত স্মৰণ কৰাই দিয়ে,য'ত এই বিষয়সমূহ আৰবীত বৰ্ণনা কৰা হৈছে। অৰ্থাৎ কালাম একেই আৰু প্ৰেমৰ ফালে লৈ যায়। কিন্তু কোনোবাক বেলেগ নামেৰে মাতে সেই বুলি কি পাৰ্থক্য হয়, ইয়াৰ ফলত কাজিয়া-বিবাদ কৰা ঠিক নে, পৰস্পৰ পৰস্পৰে হিংসা বিদ্বেষ ভাৱ সৃষ্টি কৰা উচিত নে? ধৰ্মীয় বিৰোধ নিজৰ ঠাইত, কিন্তু প্ৰত্যেক ধৰ্মৰ বুনিয়াদী শিক্ষা পৰস্পৰে পৰস্পৰৰ সৈতে সহানুভূতি কৰা; আৰু এই দাবী কৰা হয় যে যদি কোনো ধৰ্মই পৰস্পৰে পৰস্পৰৰ সৈতে সহানুভূতি নাৰাখে তেতিয়া সেইজন আল্লাহৰ পৰা আঁতৰ হৈ যায়। এয়া এক নিশ্চিত সত্য যে যাৰ মাজত আপুনি কেতিয়াও পৰিৱৰ্তন দেখিবলৈ নাপাব। যিবিলাক মানুহ আল্লাহৰ ভৃত্যৰ প্ৰতি প্ৰিয় নহয় সি খোদা তা'লাৰ প্ৰেমিক হ'ব নোৱাৰে। মই আপোনাক খোদাৰ নামত এই উপদেশ দিওঁ যে মানৱতাৰ শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়ক। এয়াই প্ৰত্যেক ধৰ্মৰ শেষ যুদ্ধ

যাৰ জৰিয়তে চয়তানক পৰাজয় কৰিব পৰা যায়। যদি মানুহক জীৱিত কৰা নহয় তেন্তে কোনো মানুহৰ ভিতৰত চয়তানৰ মৃত্যু নঘটে, সদায় তাৰ লগত থাকিব আৰু তাৰ জীৱন জাহান্নাম বনাই থাকিব।

**জপ জি** ৰ আৰু এক স্থানত খাৱাজা দিল মহম্মদ চাহাবে যি অনুবাদ কৰিছে সেয়া এনেধৰণৰ,

گائے کون خدا کی قُدرت　　تاب یہ کس انسان میں ہے
گائے کون خدا کی رحمت!　　ماہر کون نشان میں ہے
گائے کون خدا کی عظمت　　عالی شان وقار اُس کا
گائے کون خدا کی حکمت　　مشکل سوچ بچار اُس کا
گائے کون اُسے جو تن کو　　زینت دے کر خاک بنائے
گائے کون اُسے جو پیدا　　کر کے مارے اور جلائے
گائے کون اُسے جو ہم سے　　پاس بھی ہے اور دور بھی ہے
گائے کون اُسے جو حاضر　　ناظِر پاک حضور بھی ہے
ختم نہ ہوں گی اُس کی باتیں　　سارا حال بیان نہ ہو
وصف کروڑوں گائیں کروڑوں　　پوری لیکن شان نہ ہو
لینے والے تھک جاتے ہیں　　داتا دیتا جاتا ہے
جُگ جُگ میں ہر کھانے والا　　اس کی نعمت کھاتا ہے
حکم سے اپنے حاکم نے　　دنیا کو راہ دکھائی ہے

خود آنند رہے وہ نانکؔ
کیسی بے پرواہی ہے

(جپ جی وسکھ منی صاحب صفحہ ۷، پوڑی نمبر ۳ ناشر آزاد بک ڈپو ہال بازار امرتسر)

এতিয়া মই আপোনালোকক কোৰাণ কৰিমৰ কিছু সৰু সৰু আয়াতৰ অংশ শুনাম; য'ৰ পৰা আপোনালোকৰ স্মৰণত আহিব যে সেই শিক্ষা একেবাৰে সামঞ্জস্য; আৰু এটা শিক্ষা অইনক পথ-প্ৰদৰ্শন কৰি আছে এই কাৰণে হজৰত মছীহ মাওউদ (আঃ)য়ে বাৰম্বাৰ এই কথাৰ প্ৰতি গুৰুত্ব দিছে যে হজৰত গুৰু বাবা নানক চাহাব কোৰাণ কৰিমৰ প্ৰেমিক আছিল আৰু কোৰাণ কৰিম অধ্যয়ন কৰিছিল, আৰু এইফালে ইঙ্গিত কৰিছে যে ইয়াৰ দ্বাৰা তোমাৰ আৰু আমাৰ মাজত মহব্বত সৃষ্টি হোৱা দৰকাৰ, হিংসা বিদ্বেষ ভাৰ নহয়। কিন্তু আচৰিত কথা এয়া যে মানুহে ধৰ্মক নিম্ন পৰ্যায়লৈ লৈ আহে,বহল স্থানৰ পৰিৱৰ্তে সংকীৰ্ণ দৃষ্টিত ধৰ্মক টানি আনে; যাৰ কাৰণে বুজা-বুজিত ভুল হৈ যায়। এতিয়া শ্ৰৱণ কৰক কোৰাণ কৰিমত আল্লাহ তা'লা কৈছে,

لَيۡسَ كَمِثۡلِهٖ شَيۡءٌ وَهُوَ السَّمِيۡعُ الۡبَصِيۡرُ-

(42:12)

অনুবাদ ঃ সেইধৰণৰ কোনো বস্তু নাই আৰু সেইজনা শ্ৰৱণকাৰী আৰু দৃষ্টি ৰাখোঁতা,

قُلۡ لَّوۡ كَانَ الۡبَحۡرُ مِدَادًا لِّكَلِمٰتِ رَبِّيۡ لَنَفِدَ الۡبَحۡرُ قَبۡلَ اَنۡ تَنۡفَدَ كَلِمٰتُ رَبِّيۡ وَلَوۡ جِئۡنَا بِمِثۡلِهٖ مَدَدًا ○(الکہف:۱۱۰)

অনুবাদ ঃ তুমি কোৱা, যদি গোটেই সমুদ্ৰ লিখাৰ বাবে ছিয়াহী হৈ যায় তথাপি মোৰ খোদাৰ কথাসমূহ শেষ নহওঁতেই সমুদ্ৰৰৰ পানী শেষ হৈ গ'ল হয়, অৰ্থাৎ তাত পানী বৃদ্ধি কৰিবলৈ সিমান পানী আকৌ তাত সোমাই দিলে হয়।

এয়া সেই বিষয় যি ইয়াৰ পূৰ্বে আপোনাক বেলেগ শব্দত পঢ়ি শুনোৱা হৈছে

يُحۡيٖ وَيُمِيۡتُ وَاِلَيۡهِ تُرۡجَعُوۡنَ ○(یونس:۵۷)

অনুবাদ ঃ সেইজনাই হয় যিয়ে জীৱিত কৰে, সেইজনাই হয় যিয়ে মৃত্যু

ঘটায়, আকৌ সেইজনাৰ ফালেই উভতাই নিয়া হ'ব।

وَكُلُوۡا مِمَّا رَزَقَكُمُ اللّٰهُ حَلٰلًا طَيِّبًا وَّاتَّقُوا اللّٰهَ الَّذِىۡۤ اَنۡتُمۡ بِهٖ مُؤۡمِنُوۡنَ○

(5:89)

অনুবাদ ঃ আৰু আল্লাহ্ তোমালোকৰ কাৰণে যিবোৰ সৃষ্টি কৰিছে তাৰ পৰা পৱিত্ৰ আৰু বৈধ বস্তু খোৱা; আৰু আল্লাহৰ প্ৰতি ভয় কৰা যাৰ ওপৰত তুমি ঈমান আনিছা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, এয়া আচৰিত যে সেই খোদা যি আমাৰ খোদা, কোন আছে যি সেইজনাৰ সদৃশ,সৰ্বশক্তিমান। ( ৰুহানি খাজাইন,নছিমে দাউৱাত,খণ্ড ১৯ পৃঃ ৪৩৫)

অৱশেষত এই বিষয়সমূহ সমাপ্ত কৰাৰ পূৰ্বে, পোনপ্ৰথমে হিন্দু সকলৰ শিক্ষা নমুনা (আদৰ্শ) হিচাপে আপোনালোকৰ সন্মুখত উপস্থাপন কৰিম। হজৰত মছীহ মাওউদ (আঃ)ৰ এটা লিখনী য'ত খোদা তা'লাৰ সৈতে প্ৰেম আৰু তাৰ একত্ববাদ প্ৰকাশ কৰাৰ আছিল সেয়া আপোনালোকৰ সন্মুখত উত্থাপন কৰো, কৈছে, খোদা তা'লা নিজৰ সকলো গুণাৱলী হিচাপে এক, অংশী বিহীন, কোনো ধৰণৰ ক্ৰটি সেইজনাৰ মাজত নাই। সেইজনা সকলো গুণাৱলীৰে পৰিপূৰ্ণ; আৰু সেইজনা প্ৰকট হয় সকলো ধৰণৰ পৱিত্ৰ ক্ষমতাৰ সৈতে; আৰু উৎপত্তি হয় সকলো সৃষ্টি জগতৰ; আৰু প্ৰস্ফুটিত নিজৰা হয় সকলোৰে উপকাৰৰ বাবে, আৰু মালিক শেষ বিচাৰৰ দিনৰ; আৰু সকলো কামৰ নিৰাপত্তাৰ ঠিকনা। অতি কাষত হয় আঁতৰত থকা সত্ত্বেও আৰু বহু দূৰত, কাষত থকা সত্ত্বেও। সেইজনাই সকলোতকৈ উৰ্দ্ধত; কিন্তু ক'ব নোৱাৰিম যে তাৰ তলত আৰু কোনোবা আছে আৰু সেইজনা সকলো বস্তুৰ পৰা গোপন; কিন্তু ক'ব নোৱাৰো যে সেইজনাতকৈ আৰু কোনোবা বেছি প্ৰকটময় আছে। সেইজনা জীৱিত নিজৰ জাতত আৰু প্ৰত্যেক বস্তু সেইজনাৰ সৈতে জীৱিত। সেইজনা প্ৰতিষ্ঠিত নিজৰ জাতত কিন্তু সকলো বস্তু সেইজনাৰ সৈতে প্ৰতিষ্ঠিত। সেইজনাই সকলো বস্তু উঠাই ৰাখিছে আৰু কোনো বস্তু নাই যিয়ে সেইজনাক উঠাই ৰাখিছে। কোনো বস্তু নাই যি সেইজনাৰ বাহিৰে নিজে নিজে সৃষ্টি হৈছে, সেইজনাই সকলো

বস্তুক আৱৰি ৰাখিছে; কিন্তু ক'ব নোৱাৰি যে কেনেকুৱা আৱৰণ। সেইজনাই আকাশ আৰু পৃথিৱীৰ সকলো বস্তুৰ পোহৰ আৰু সকলো ধৰণৰ পোহৰ সেইজনাৰ হাতৰ দ্বাৰাই উজ্জ্বলময় হয়। সেইজনাৰ জাত প্ৰতিফলিত হৈ আছে, সেইজনাই বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালক। কোনো আত্মা নাই যে যিয়ে সেইজনাৰ দ্বাৰা সুৰক্ষিত পোৱা নাই, কোনো আত্মাৰ কোনো শক্তি নাই যিয়ে সেইজনাৰ সৈতে মিলিত হোৱা নাই নিজে নিজেই হৈছে। (ৰুহানি খাজাইন,লেক্সাৰ লাহোৰ জিলদ নম্বৰ ২০, পৃঃ ১৫২-১৫৩)

অৰ্থাৎ দুনিয়াত যিমান ধৰ্ম আছে সেই সকলো ধৰ্মই এক খোদাৰ ফালে আহ্বান কৰোঁতা; আৰু যদি এক খোদাৰ সৈতে সঠিক সম্পৰ্ক দৃঢ় হৈ যায় তেতিয়া ধৰ্মই ধৰ্মৰ সৈতে সংশোধনৰ কৰাৰ এয়াই ৰহস্য; তাৰ বাহিৰে অইন কোনো পন্থা নাই যে খোদাৰ ফালে ভৃত্যক উভতাই ল'ব পাৰে।

খোদা তা'লা স্বয়ং পৰস্পৰক পৰস্পৰৰ সৈতে ভৃত্যক মিলাই দিব। যিয়ে খোদা তা'লালৈ পৌচায় সেইজনেই পৌচায় যিয়ে পূৰ্বৰে পৰাই ভৃত্যৰ সৈতে সাক্ষাৎ কৰি উৰ্দ্ধলৈ যায়; যিয়ে ভৃত্যৰ সৈতে সম্পৰ্ক ছিন্ন কৰি খোদাৰ ফালে যায়; সিহঁতৰ মাজত আৰু খোদাৰ মাজত দূৰত্ব বৃদ্ধি পাব ধৰে,এইটো মাথোন প্ৰবৃত্তিৰ প্ৰতাৰণা। এই কাৰণে মই শেষত আকৌ আপোনালোকক উপদেশ দিওঁ হে আমাৰ শিখ ভাই সকল ! যিসকলে ইয়াত আমাৰ সৈতে অতি উন্নত ধৰণৰ আচৰণ কৰিছে, প্ৰেমৰ সৈতে মুকলি ভাৱে আমাক স্বাগতম জনাইছে,য'ত য'ত যি গলিৰে মই অতিক্ৰম কৰিছোঁ তাতে শিখ সকলে দৰ্জাৰ সন্মুখত থিয় হৈ বৰ মৰম আৰু প্ৰেমৰ সৈতে হাতেৰে ইঙ্গিত কৰা দেখা পাইছো, নিজৰ ঘৰলৈ আহ্বান কৰা দেখা পাইছো,অৰ্থাৎ এটা ঘৰৰ এজন সৰু শিশু কোলত থকা অৱস্থাত কাকুতি-মিনতি কৰি কয় যে আমাৰ ঘৰত আহি যাওঁক। অৰ্থাৎ মই সিহঁতৰ ঘৰত গলো আৰু গাখীৰ পান কৰিলোঁ, এই সকলোবোৰ কথা চিন্তা-ভাৱনা কৰি মোৰ ধাৰণা হ'ল আল্লাহৰ কৃপাৰ গাখীৰ সকলোৰে কাৰণে সমান। খোদাৰ প্ৰতি প্ৰেম গাখীৰেই হয় যিয়ে গোটেই মানুহৰ বিকাশৰ কাৰণ হয়। ইয়াৰ বাহিৰে কোনো জীৱন নাই, অৰ্থাৎ নিজৰ বিৰোধসমূহ এফালে ৰাখি দিয়ক; কিন্তু একত্ববাদক

নিজৰ ভিতৰত সৃষ্টি কৰাৰ স্থান দিয়ক। সেই উৎসামূলক হৃদয় সৃষ্টি কৰাৰ সুবিধা দিয়ক যাৰ ফলত বিভিন্ন ধৰণৰ বিৰোধীতাও আমাক দূৰত্ব সৃষ্টি কৰিব নোৱাৰে। ভৌগলিক মতভেদও আমাক দূৰত্ব সৃষ্টি কৰিব নোৱাৰে,আৰু ধৰ্মীয় মতভেদও আমাক দূৰত্ব সৃষ্টি কৰিব নোৱাৰে,খোদা তা'লাৰ একত্ববাদৰ প্ৰেমেই হয় যিয়ে আমাক ঐক্যবদ্ধ কৰিব পাৰে; আৰু মই নিজে সিহঁতৰ দৃষ্টিত প্ৰেম-চেনেহৰ দৃশ্য দেখিবলৈ পাইছো। আল্লাহ কৰক এই কাদিয়ান যাক খোদা তা'লা দাৰুল আমান (শান্তিৰ স্থান) বুলি কৈছে,সদায় দাৰুল আমান যেন হৈ থাকে,আৰু তাৰ পৰাই যেন শান্তি গোটেই পৃথিৱীত বিস্তাৰ লাভ কৰে। এই শান্তি বিস্তাৰ লাভ কৰাৰ বাবে আপোনালোকে (শিখসকলে) যেন আমাক সহায় আগবঢ়ায় আৰু আপোনালোকেও (হিন্দু সকলেও) যেন আমাৰ সহযোগীতা আগবঢ়ায়। আমিও আপোনালোকৰ সৈতে হাত মিলাই দুনিয়াত এই পয়গাম দিওঁ যে হে দেশবাসী সকল! আহঁক আৰু এই কাদিয়ানৰ বস্তিৰ (গাঁৱৰ) পৰা শান্তিময় জীৱনৰ শিপা শিকি লওঁক। শান্তিত জীৱন অতিবাহিত কৰাৰ বাবে পদ্ধতি শিকি লওঁক। আমি আজি সকলোৱে মিলি তোমালোকক শান্তিৰ জীৱনৰ ফালে অনুধাৱন কৰাব খোজো আৰু এই দুনিয়া এক খোদাৰ দুনিয়া। ইয়াত অহা অবিহনে সঠিক শান্তিৰ ভাগীদাৰী হ'ব নোৱাৰে।

এতিয়া মই হিন্দু ধৰ্মৰ তৌহিদ সম্পৰ্কে কিছুমান শিক্ষাৰ আদৰ্শ আপোনালোকৰ সন্মুখত উপস্থাপন কৰিম, গিতাত এটা শ্লোক্ আছে আৰু তাৰ অনুবাদ **দুল কি গিতা** নামে প্ৰকাশ হৈছে তাৰ অধ্যায় নম্বৰ ১৮ আৰু শ্লোক্ নম্বৰ ২০ ত উল্লেখ আছে।

پرے غیب سے بھی ہے ایک ذات غیب
وہ ہستی فنا کا نہیں جس میں عیب
کسی کی نہ کچھ بات باقی رہے
فقط ایک وہی ذات باقی رہے

কোৰাণ মজিদত এই বিষয়ে বৰ্ণনা কৰি কৈছে,

كُلُّ مَنْ عَلَيْهَا فَانٍ ۝٢٧ وَّيَبْقٰى وَجْهُ رَبِّكَ ذُو الْجَلٰلِ وَالْاِكْرَامِ ۝٢٨ (55:27-28)

এই পৃথিৱীত যিবিলাক আছে সকলোবোৰ সমাপ্ত ঘটিব আৰু সেয়াই মাথোন থাকিব যাৰ ফালে তোমাৰ মৰ্যাদা সম্পন্ন আৰু সন্মানীত খোদাৰ দৃষ্টি থাকিব। (চুৰা আৰ ৰহমান আয়াত ২৭,২৮)

অৰ্থাৎ খোদাৰ দৃষ্টিৰ কাৰণে আমি জীৱিত আছো আৰু যদি খোদাৰ দৃষ্টি আমাৰ পৰা বিমুখ হয় তেন্তে আমি যিকোনো ভাৱে মৃত্যু বৰণ কৰিম, বাহ্যিক ভাৱেও আমি জীৱিত থাকিব নোৱাৰিম আৰু আধ্যাত্মিক ভাৱেও জীৱিত থাকিব নোৱাৰিম।

আকৌ এটা শ্লোক **দুল কি গিতা** কিতাপৰ পৰা মই আপোনালোকৰ সন্মুখত উত্থাপন কৰিব খোজো অধ্যায় নম্বৰ ৮ শ্লোক নম্বৰ ২২ ত লিখা আছে,

جو کرتے ہیں خالص عبادت میری
کو یکدل ہوں جی میں نہ رکھیں دوئی
کروں حاجتیں ان کی پوری تمام
وہ میری حفاظت میں ہوں صبح و شام

হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে,

چاہئے تجھ کو مٹانا قلب سے نقشِ دوئی
سر جھکا بس مالکِ ارض و سما کے سامنے

(الفضل ۱۳ / جنوری ۱۹۲۸ء)

কোৰাণ কৰিমত আল্লাহ তা'লা কৈছে,

(40:15) فَادْعُوا اللّٰهَ مُخْلِصِيْنَ لَهُ الدِّيْنَ وَلَوْ كَرِهَ الْكٰفِرُوْنَ

গতিকে তোমালোকে সেইজনাৰ প্ৰতি সম্পূৰ্ণ বাধ্যতা আৰু আন্তৰিকতা জ্ঞাপন কৰি আল্লাহক সম্বোধন কৰা, যদিও অবিশ্বাসীসকলে তেনে কৰাত অপছন্দ কৰে। (চুৰা মোমিন আয়াত ১৫)

ভগৱত গিতাৰ পৃঃ ৩৬৫ ত উল্লেখ আছে,

হে অৰ্জুন ! তুমি যি কৰ্ম কৰা,আৰু যি ভোজন কৰা,আৰু যি **হুম** (হিন্দু সকলৰ এটা ধৰ্মীয় প্ৰথা য'ত মন্ত্ৰ পঢ়া হয়,জুইত ঘি ঢালি দিয়া হয়) কৰা,আৰু যি দান দিয়া,আৰু যি কষ্ট কৰা সেইবিলাক সকলো মোৰ (পৰমেশ্বৰৰ) অধীনত হয়।

فقط میری خاطر تو ہر کام کرے
ہون دان دے سب میرے نام پر
تیرا کھانا پینا ہو میرے لئے
تیرا تپ سے جینا ہو میرے لئے

এই বিষয়সমূহ কোৰাণ মজিদত বৰ ধুনীয়া পদ্ধতিত এই ভাৱে বৰ্ণনা কৰিছে যে হে মহম্মদ ! তুমি ঘোষণা কৰি দিয়া,

(6:163) قُلْ اِنَّ صَلَاتِيْ وَنُسُكِيْ وَمَحْيَايَ وَمَمَاتِيْ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ○

অনুবাদ ঃ তুমি কোৱা, নিশ্চয় মোৰ নমাজ আৰু মোৰ কোৰবাণী আৰু মোৰ জীৱন আৰু মোৰ মৰণ সকলো ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰেই নিমিত্তে; (চুৰা আল আনাম আয়াত ১৬৩)

হজৰত মছীহ মাওউদ (আঃ)য়ে এই বিষয়টো এনেকুৱা ভাৱে বৰ্ণনা কৰিছে,

যেতিয়া মানুহৰ প্ৰেম খোদাৰ প্ৰতি এনে পৰ্যায়লৈ গৈ পায় যে তাৰ জীৱন মৰণ নিজৰ ইচ্ছাত নহয় অৰ্থাৎ খোদাৰ বাবে হৈ যায়,তেতিয়া খোদা তা'লা চিৰকালৰ প্ৰেম কৰা সকলৰ সৈতে প্ৰেম কৰে, নিজৰ প্ৰেম তাৰ

ওপৰত অৱতীৰ্ণ কৰে আৰু সেই উভয় প্ৰেম মিলনৰ ফলত মানুহৰ ভিতৰত এক পোহৰ সৃষ্টি কৰে,যাক পৃথিৱীবাসীয়ে চিনিব নোৱাৰে আৰু বুজিবও নোৱাৰে আৰু হাজাৰ হাজাৰ সত্যপৰায়ণ আৰু বুজুৰ্গসকল এই কাৰণে হত্যা হৈছে যে পৃথিৱীবাসীয়ে সিহঁতক চিনিব পৰা নাই। সিহঁতক এই কাৰণে মিছলীয়া আৰু স্বাৰ্থপৰ বুলি কৈছে যাৰ বাবে পৃথিবাসীয়ে সিহঁতৰ উজ্জ্বলময় চেহেৰা দেখিব পৰা নাই। (তকৰিৰ জলছা মজাহব পৃঃ ৭৬)

অৰ্থাৎ সেইসকল মানুহ যিসকলে জ্যোতিময় পোহৰৰ বিৰোধ কৰে আৰু ধৰ্মীয় বুজুৰ্গসকলৰ তেজৰ পিপাসা হয়। তেওঁলোকে নিজে খোদাৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন হোৱাৰ ফলত অজ্ঞতা অৱস্থাত নিজৰ জীৱন কটাব ধৰিছে। যেনেকুৱা অন্ধসকলে জানিব নোৱাৰে যে সঠিক পথ কোনটো যাৰ ফলত দেৱালৰ লগত সংঘৰ্ষ হয়। এই একেই অৱস্থা হৃদয়ৰ অন্ধসকলৰ। কিন্তু যিসকলে খোদা তা'লাৰ সত্য প্ৰেমিক সিহঁতক নিশ্চয় পোহৰ প্ৰদান কৰা হয়; আৰু সেই প্ৰেমৰ ফলত সি যিকোনো ধৰ্মৰ সৈতে সম্পৰ্ক নাৰাখক কিয় সিহঁতে খোদা ভীৰু সকলক নিজৰ হৃদয়ৰ চকুৰে চিনিব পাৰে আৰু এয়া অসম্ভৱ যে খোদাৰ সৈতে সঠিক প্ৰেম কৰা জনে খোদাৰ সৈতে সঠিক প্ৰেম কৰা সকলৰ সৈতে হিংসা কৰিব।

সিহঁতৰ হৃদয়ৰ দৃষ্টিয়ে এয়া কয় যে এইটো কি, এইটো এনেকুৱা পোহৰ যাৰ দ্বাৰা পৰস্পৰে পৰস্পৰক চিনিব পাৰে, আৰু পৰস্পৰৰ মাজত প্ৰেমৰ উদ্বেক জাগি উঠে।

ভগৱত গিতা পৃঃ ৬৬৪ ত উল্লেখ আছে, হে অৰ্জুন ! সকলো ধৰণৰ নিৰাপত্তা ঈশ্বৰৰ হাততেই আছে; গতিকে সেই কৃপাৰ ফলত উচ্চ মানদণ্ড আৰু অন্তহীন শান্তিৰ স্থান অৰ্জন কৰিব পাৰিবা।

تو ملجا و ماویٰ اُسی کو بنا
اسی ذات میں اپنی ہستی لگا
تو رحمت میں اس کی سماجائیگا
سکون وبقا اس سے پاجائیگا

কোৰাণ কৰিমত আল্লাহ তা'লা কৈছে,

اَلَّذِيْنَ اٰمَنُوْا وَتَطْمَىِٕنُّ قُلُوْبُهُمْ بِذِكْرِ اللّٰهِ ؕ اَلَا بِذِكْرِ اللّٰهِ تَطْمَىِٕنُّ الْقُلُوْبُ ۝ (سورہ الرعد:۲۹)

সেইসকল যিসকলে ঈমান আনে; আৰু ঈমান অনাৰ পিছত সিহঁতক খোদাৰ স্মৰণৰ ফলত হৃদয়ত শান্তি লাভ কৰে আল্লাহৰ স্মৰণৰ ফলত তৃপ্তি লাভ কৰে। কৈছে اَلَا بِذِكْرِ اللّٰهِ تَطْمَىِٕنُّ الْقُلُوْبُ মানুহ যিয়ে ইচ্ছা কৰক যিফালে দৌৰি যাওঁক খোদা তা'লাৰ প্ৰেম আৰু স্মৰণ অবিহনে মানুহৰ তৃপ্তি আৰু আৰাম সৌভাগ্য হ'ব নোৱাৰে।

**দুল কি গিতা** অধ্যায় নম্বৰ ১৮ শ্লোক্ নম্বৰ ৬৬ ত উল্লেখ আছে,

تو سب دھرم چھوڑ اور لے میری راہ
تو مانگ آ کے دامن میں میرے پناہ
تیرے پاپ سب دور کر دوں گا میں
نہ غمگین ہو ،مسرور کردوں گا میں

وَالَّذِيْنَ اٰمَنُوْا وَعَمِلُوا الصّٰلِحٰتِ لَنُكَفِّرَنَّ عَنْهُمْ سَيِّاٰتِهِمْ وَلَنَجْزِيَنَّهُمْ اَحْسَنَ الَّذِيْ كَانُوْا يَعْمَلُوْنَ ۝ (العنكبوت:۸)

যিসকলে ঈমান আনিছে আৰু সজ কাম কৰিছে সিহঁতৰ পৰা সিহঁতৰ পাপ আঁতৰ কৰিম যি (সজ) কাম সিহঁতে কৰে তাৰ পৰিৱৰ্তে সিহঁতক উত্তম প্ৰতিদান আমি দান কৰিম। (চুৰা আনকবুত আয়াত ৮)

সময়ৰ নাটনিৰ বাবে বাকী উদ্ধৃতিসমূহ এৰিব লগা হৈছে,

এতিয়া মই আপোনালোকক তৌহিদ আৰু খোদা তা'লাৰ প্ৰেমৰ পিছত শিখমত আৰু হিন্দুমতত যি মানৱৰ প্ৰতি সহানুভূতি সম্পৰ্কে আলোকপাত আছে তাৰ পৰা কিছু নমুনা পঢ়ি শুনাওঁ,

গুৰুগ্ৰন্থ চাহাব পৃঃ ১২৯৯ মহল্লা পঞ্চমত উল্লেখ আছে,

پِسر گئی سب تات پُرائی
جب تے سادھ سنگت موہے پائی
رہاؤنہ کو بیَر بیگانہ
سگل سنگ ہم کو بن آئی

যাৰ অনুবাদ এনেকুৱা, আমাৰ আকিদা মতে কোনেও অজনা নহয়,সকলোৱে নিজৰ আৰু কোনোবাই আমাৰ শত্ৰু নহয়,সকলোৰে সৈতে আমাৰ ভালপোৱা প্ৰেম চেনেহ আছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে লিখিছে,

মই সকলো মুছলমান,খ্ৰীষ্টান,হিন্দু আৰু আৰ্যসকলৰ সন্মুখত এই কথা প্ৰকাশ কৰো যে পৃথিৱীত কোনেও মোৰ শত্ৰু নহয়। মই মানৱৰ প্ৰতি এনেকুৱা প্ৰেম কৰো যেনেকুৱা দেউতাই নিজৰ সন্তানৰ প্ৰতি কৰে; বৰং তাতোকৈ অধিক। মই মাথোন সেই মিছা আকিদাসমূহৰ শত্ৰু যাৰ দ্বাৰা সত্যৰ বিনাশ ঘটে, মানুহৰ প্ৰতি সহানুভূতি মোৰ ফৰজ হয়। (ৰুহানি খাজাইন জিলদ ১৭,পৃঃ নম্বৰ ৩৪৪,আৰবাইন নম্বৰ ১)

আকৌ গুৰুগ্ৰন্থ চাহাবত হজৰত বাবা নানক চাহাবৰ কালাম পৃঃ ৯৯১ মহল্লা প্ৰথমত উল্লেখ আছে,

منداجانےآپ کواوربھلاسنسار

অৰ্থাৎ মানুহ নিজকে দুৰ্বল আৰু বেয়া বুলি ভাবিব আৰু গোটেই পৃথিৱীক উত্তম আৰু ভাল বুলি ভাবিব। বিনয়ৰ এক অতি পৱিত্ৰ আৰু উন্নত ধৰণৰ শিক্ষা হয়, হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে

بدتر بنو ہر ایک سے اپنے خیال میں
شاید اسی سے دخل ہو دارالوصال میں

যদি তুমি নিজৰ ধাৰণাত বেলেগতকৈ নিজকে দুৰ্বল শ্ৰেণীৰ বুলি ভাৱা; তেন্তে সেই দিন বেছি দূৰত নাই যে সেই পথ অৱলম্বন কৰাৰ ফলত তুমি আল্লাহক পাই যাবা। অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)ক যেতিয়া খোদা তা'লা এই যুগৰ ইমাম বনাই প্ৰেৰণ কৰিছে তাৰ কাৰণ এয়া বৰ্ণনা কৰিছে,

"اُسے تیری عاجزانہ راہیں پسند آئیں۔"

সেই ব্যক্তি যাক মই যুগৰ ইমাম বনাই আছো এই কাৰণে নহয় যে তেওঁ বৰ ডাঙৰ মানুহ; বৰং এই কাৰণেই যে তেওঁ নিজৰ আত্মাক বিলীন কৰি দিছে আৰু ভূমি ধূলিকণা হ'ব আৰু নিজৰ অস্তিত্বৰ একোৱে নাথাকিব। ইয়াৰ পিছত খোদাৰ ভৃত্য ৰূপে প্ৰকাশিত হ'ব; আৰু এয়া অবিহনে খোদাক প্ৰাপ্ত কৰা অসম্ভৱ। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে,

মানুহৰ কেৱল এয়াই কাম যে নিজৰ অস্তিত্বৰ ওপৰত মৃত্যুক আৱৰি ধৰক। সেই চয়তানী দাম্ভিকতাক এৰি দিয়ক যি জ্ঞানৰ সৈতে লালিত-পালিত হ'ব পাৰে, আৰু এজন অজ্ঞৰ দৰে নিজৰ জীৱন অতিবাহিত যেন নকৰে আৰু দোৱাত মগ্ন হৈ যেন থাকে তেতিয়া খোদাৰ জ্যোতি খোদাৰ ফালৰ পৰা তেওঁৰ ওপৰত অৱতীৰ্ণ হ'ব আৰু এখন নতুন জীৱন তেওঁক প্ৰদান কৰা হ'ব। (ৰূহানি খাজাইন হাকীকাতুল ওহী জিলদ নম্বৰ ২২, পৃঃ ১৪৮)

আকৌ গুৰুগ্ৰন্থ চাহাব পৃঃ ১৪১ মহল্লা প্ৰথমত উল্লেখ আছে যে,

حق پرایا نانکا اُس سور اُس گائے
گُر پیر ہاماں تاں بھرے جال مردانہ کھائے

অনুবাদ ঃ আনৰ অধিকাৰ কাঢ়ি লোৱা এনেকুৱা যে মুছলমানৰ বাবে গাহৰি খোৱা আৰু হিন্দু সকলৰ বাবে গাই খোৱা। গুৰুৱে ইয়াৰ সমৰ্থন নকৰিব। কিমান পৱিত্ৰ শিক্ষা, ন্যায় প্ৰতিষ্ঠা কৰাৰ কাৰণে এজনে আনজনৰ সম্পত্তি কাঢ়ি লোৱাৰ পৰা আঁতৰত থাকা। যদি সকলো ধৰ্মৰ অনুসাৰী সকলে নিজৰ ধৰ্মৰ পৱিত্ৰ শিক্ষাৰ ফালে উভতি যায় তেতিয়া এক শান্তিৰ বাট মুকলি হ'ব,

ইয়াৰ বাহিৰে অইন পথ নাই।
ৰাহত নামা ভাই নান্দ লাল জি ত উল্লেখ আছে,

خَلق خالق کی جان کہہ
خلق دکھاوے ناں ہے
خلق وکھے جب لال جی
خالق کو پے تا ہے

অনুবাদ ঃ খোদাৰ সৃষ্টিক দেখি সিহঁতক কেতিয়াও দুঃখ নিদিবা যিসকলে আল্লাহৰ সৃষ্টিক আঘাত হানে তাক খোদা তা'লা কেতিয়াও ক্ষমা নকৰিব।

হজৰত মহম্মদ (ছাঃ)য়ে এই বিষয়সমূহ এনেভাৰে বৰ্ণনা কৰিছে যে

''مَن لَا یَرْحَمِ النَّاسَ لَا یَرْحَمُهُ اللّٰهُ''

(মুছলিম কিতাবুল ফজাইল বাব ৰাহমাতুছছাবিয়ান ওৱাল আয়াল)
চোৱা যদি কোনো মানুহ খোদাৰ ভৃত্যৰ প্ৰতি দয়া নকৰে তেতিয়া আল্লাহ তাৰ প্ৰতি দয়া নকৰিব।

গতিকে এই কথা স্মৰণ ৰখা উচিত যে এইটো অবিহনে সঁচাকৈয়ে আমি ধৰ্মৰ উদ্দেশ্যক পূৰণ কৰিব নোৱাৰো। ধৰ্মৰ উদ্দেশ্য দুটা ঃ মানুহক মানুহৰ নিকটত্তম কৰা, আৰু মানুহক খোদাৰ নৈকট্যপ্ৰাপ্ত কৰোৱা।
এসময়ত ইছলামৰ প্ৰতিষ্ঠাতা হজৰত মহম্মদ (ছাঃ)য়ে কৈছে,

সেই ব্যক্তিৰ আমাৰ সৈতে কোনো সম্পৰ্ক নাই যিয়ে সৰু সকলৰ ওপৰত কৃপা (দয়া) নকৰে আৰু ডাঙৰক সন্মান নকৰে। (তিৰমিজি কিতাবুল বৰোছ-ছালাতা,বাব মা জা ৰাহমাতুছ ছাবিয়ান)

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে,এই শিক্ষাৰ সাৰাংশ এয়া.... কোনো ধৰ্ম কোনো জাতি আৰু কোনো দলৰ মানুহক বেয়া আৰু ক্ষতি কৰাৰ ইচ্ছা নকৰিবা (যদিও সি যিকোনো ধৰ্মৰ সৈতে সম্পৰ্ক নাৰাখক কিয়, সকলোৰে কাৰণে সৎ উপদেশকাৰী হোৱা, সদায় চেষ্টা কৰিবা যে কাজিয়া-বিবাদ আৰু অত্যাচাৰকাৰী আৰু বেয়া আচৰণকাৰীয়ে যেন তোমাৰ বৈঠকৰ

মাজেৰে অতিক্ৰম নকৰে, প্ৰত্যেক ধৰণৰ পাপৰ পৰা আঁতৰত থাকিবা আৰু প্ৰত্যেক ধৰণৰ পুণ্য কাম অৰ্জন কৰাৰ বাবে প্ৰয়াস কৰিবা। (ৰুহানি খাজাইন, কাশ্‌ফুল গাতা জিলদ ১৪ পৃঃ ১৮৭, ১৮৮)

হজৰত বাবা নানক চাহাবৰ কষ্ট আৰু মৰ্যাদা চাওঁক, কিমান সুন্দৰ ভাৱে বৰ্ণনা কৰিছে, তেখেতে কৈছে, যদি হাতৰ দ্বাৰা পৰিশ্ৰম কৰা আৰু দুখীয়াক সহায় কৰা তেতিয়া খোদা তা'লাৰ বাট জানিব পাৰিবা। (গুৰুগ্ৰন্থ চাহাব পৃঃ ১২৪৫)

শিখ জাতি এই শিক্ষাৰ ওপৰত বৰ নিষ্ঠা আৰু সহানুভূতিৰ সৈতে কাৰ্যকৰী হৈ আছে, আৰু সেয়া হ'ল নিজৰ হাতেৰে পৰিশ্ৰম কৰা, মই দীৰ্ঘ সময় শিখ সকলৰ সৈতে অৱস্থান কৰিছোঁ। চৰকাৰী কলেজ লাহোৰত মোৰ বন্ধুত্ব বহু সংখ্যক শিখ ছাত্ৰৰ সৈতে আছিল। কাদিয়ানৰ আশে-পাশে শিখ সকল বিস্তাৰ লাভ কৰিছিল। মই নিজৰ জীৱনত কেতিয়াও শিখ ভিখাৰী দেখা নাই যিয়ে বেলেগ হিন্দু সকলৰ সন্মুখত নিজৰ হাত মেলি থিয় হৈ কয় যে মোক কিবা কিছু দান কৰা। জানিব পৰা যায় যে হজৰত বাবা নানক চাহাবৰ শিক্ষা সিহঁতৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ লাভ কৰিছে। যাৰ ফলত এই জাতি বৰ পৰিশ্ৰমী আৰু নিজৰ হাতৰ পৰিশ্ৰমৰ উপাৰ্জন উপভোগ কৰে। দুখীয়া সকলক বৰ সহায় কৰে। মই নাজানো যে এয়া কিয় সিহঁতৰ মাজত দেখিবলৈ পোৱা গৈছে যে দুখীয়া সিহঁতৰ পৰা অদৃশ্য হৈ গৈছে, কাৰণ নিজে পৰিশ্ৰম কৰা উপাৰ্জন খোৱাৰ উৎসাৰ কাৰণে সম্ভৱত শিখ জাতি জানিব পৰা নাই যে সিহঁতৰ মাজত কিমান দুখীয়া মানুহ আছে। দুখীয়া সকল আছেনে নাই সেয়া আল্লাহ তা'লা ভালকৈ জানে। কিন্তু মই পৃথিৱীত যতেই ভ্ৰমণ কৰিছোঁ তাতে মই নিশ্চয় দেখিছো যে শিখ সকলে গুৰুদুৱাৰত আন আন দুখীয়া সকলৰ বাবে খাদ্য সামগ্ৰীৰ ব্যৱস্থা কৰি ৰাখিছে।

মই কেনিয়া গৈছিলো তাতেও মই দেখিবলৈ পাইছো এখন বৃহৎ গুৰুদুৱাৰা আছিল। তাতে মুকলি ভাৱে নিৰ্ধাৰিত সময়ত যিকোনো ধৰ্মৰ মানুহ সেইজন ক'লাই হওঁক বা বগাই হওঁক সেই গুৰুদুৱাৰৰ **লঙ্গৰ খানা** (খোৱা লোৱাৰ যোগান ধৰাৰ ব্যৱস্থা)ৰ পৰা ৰুটী নিশ্চয় যোগানৰ ব্যৱস্থা

আছিল। এয়া পৱিত্ৰ শিক্ষাৰ ফলাফল, সিহঁতৰ পুণ্যৰ ফলাফল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, বৃক্ষ নিজৰ ফলৰ দ্বাৰা পৰিচয় দিয়ে, অৰ্থাৎ এইটো কেৱল ধৰ্মীয় শিক্ষাৰ প্ৰশ্নই নহয়। প্ৰশ্ন এয়া যে এই শিক্ষা কোনে বিশুদ্ধতাৰ সৈতে গ্ৰহণ কৰে,আৰু কাৰ্যকৰী কৰি দেখুৱায়,যাৰ দ্বাৰা ফল লাগে; আৰু যদি কোনো ধৰ্মৰ মান্যকাৰীয়ে এই ধৰ্মৰ শিক্ষাৰ পৰা বিমুখ হয় তেতিয়া তেওঁৰ কাৰণে কোনো ফল নালাগিব। সেই বৃক্ষৰ অন্ত ঘটিব।

মই আপোনাক উপদেশ দি আছো যে যেনেদৰে আপোনালোকে এই শিক্ষাৰ ওপৰত কাৰ্যকাৰী হৈছে তাৰ পুণ্য ফলৰ সোৱাদ লৈছে আৰু পৃথিৱীবাসীক দেখুৱাইছে। এইদৰে হজৰত গুৰু বাবা নানক চাহাবৰ আন আন শিক্ষা সমূহকো সত্য হৃদয়ৰে গ্ৰহণ কৰক। ইয়াতে আপোনালোকৰ জীৱন আছে আৰু ইয়াৰ মাজতেই ভাৰতবৰ্ষৰ জাতি সমূহৰ বাবে কল্যাণ নিহিত। যদি আপুনি বাবা গুৰু নানক চাহাবৰ শিক্ষাক নিজৰ অস্তিত্বত জীৱিত ৰাখে, তেতিয়া মই বিশ্বাসৰ সৈতে ক'ব পাৰো যে এই এলেকা আৰু এই এলেকাৰ বাহিৰতো জীৱনৰ আশা কৰা যায় আৰু ইয়াৰ মাজতেই জীৱনৰ ৰহস্য ৰৈ আছে।

কোৰাণ কৰিমেও এই বিষয়সমূহ বৰ্ণনা কৰিছে। মই এই কাৰণেই ক'ব বিচাৰো, কোৰাণ কৰিমে চৌধ্যশ বছৰ আগতেই এই বিষয়সমূহ বৰ্ণনা কৰিছে, কিন্তু মুছলমান সকলে সেয়া পাহৰি গৈ কেনেকুৱা ধ্বংসাত্মক জীৱন অতিবাহিত কৰি আছে, মই কৰাচী যাওঁ বা লাহোৰ যাওঁ বা এনেকুৱা মুছলমান এলেকাত আৰু গাওঁবোৰৰ পৰিদৰ্শন কৰো যি পাকিস্তানৰ সৈতে সম্পৰ্ক ৰাখে বা ভাৰতবৰ্ষত মুছলমান সকল ভোকাতুৰ দেখিবলৈ পোৱা যায়,সেয়া দেখি মোৰ হৃদয় বৰ কষ্ট পায় সিহঁতৰ খিদমত নিশ্চয় কৰাৰ চেষ্টা কৰো, কিন্তু মই কওঁ চোৱা চৌধ্য শ বছৰ পূৰ্বে কোৰাণ কৰিম খাদ্যৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে যে নিজে পৰিশ্ৰম কৰি ৰুটীৰ ব্যৱস্থা কৰাৰ উপদেশ দিছে। এয়া থকা সত্ত্বেও এই জাতিয়ে এই শিক্ষাৰ পৰা সম্পৰ্ক বিচ্ছিন্ন কৰি সিহঁতক পুণ্যৰ ফল অৰ্জিত হ'ব পৰা নাই। অৰ্থাৎ মূল শিপাৰ

সৈতে সম্পৰ্ক অবিহনে কোনো বৃক্ষ ফলৱন্ত হ'ব নোৱাৰে। নিজৰ নিজৰ পৱিত্ৰ শিক্ষাক বিনয় আৰু বিশুদ্ধ হৃদয়ৰ সৈতে সম্পৰ্কক গঢ়ি তোলক, তেতিয়া দেখিবলৈ পাবা শাখা কিমান সুন্দৰ ফলপ্ৰসূৰে ভৰ্তি হৈ পৰিছে, আৰু সেই মিঠা ফলৰ পৰা পৃথিৱীবাসী লাভবান হ'ব পাৰিব। কোৰাণ কৰিমত আল্লাহ তা'লা কৈছে,

وَاَنۡ لَّيۡسَ لِلۡاِنۡسَانِ اِلَّا مَا سَعٰى ○ وَاَنَّ سَعۡيَهٗ سَوۡفَ يُرٰى ○ ثُمَّ يُجۡزٰىهُ الۡجَزَآءَ الۡاَوۡفٰى ○ (النجم: ۴۰ تا ۴۲)

এইটো কেনেকুৱা অব্যাহত থকা কানুন (নীতি) যাৰ মাজত কোনো পৰিৱৰ্তন নাই, দেখিব পাৰিবা যে মানুহ সেইসমূহ পাব লাগে যি নিজে পৰিশ্ৰম কৰি উপাৰ্জন কৰে, তাৰ ওপৰতে তেওঁৰ অধিকাৰ আছে। ইয়াত سَعٰى শব্দ মাথোন শ্ৰমিকেই নহয় অৰ্থাৎ চেষ্টা অৰ্থ হয়। অৰ্থাৎ সেয়া মস্তিষ্কৰ চেষ্টাই হওঁক বা বেলেগ ধৰণৰ চেষ্টাই হওঁক। কৈছে মানুহৰ এই ৰহস্য বুজি লোৱা দৰকাৰ তেতিয়া নিশ্চয় তাৰ প্ৰতিদান পাব।

ثُمَّ يُجۡزٰىهُ الۡجَزَآءَ الۡاَوۡفٰى

আকৌ প্ৰতিদান পোৱাৰ পিছত আৰু অধিক প্ৰতিদান দিব, আৰু পৰিপূৰ্ণ প্ৰতিদান পাব। অৰ্থাৎ জাতিৰ জীৱন পৰিশ্ৰমৰ ৰহস্যত আছে আৰু বিশুদ্ধতাৰ সৈতে বিশুদ্ধ আহাৰৰ অনুসন্ধানত আছে। মুছলমান সকলৰ মাজত কিমান সুন্দৰ শিক্ষা আছিল, কিন্তু পৰিতাপৰ বিষয় সেইফালে লক্ষ্য নকৰাৰ ফলত ক'ৰ পৰা কলৈ গৈ পাইছেগৈ।

হজৰত মহম্মদ (ছাঃ)য়ে য'ত দান বৰঙণিৰ শিক্ষা দিছে তাতে এয়াও বৰ্ণনা কৰিছে,

اَلۡيَدُ الۡعُلۡيَا خَيۡرٌ مِنَ الۡيَدِ السُّفۡلٰى

মনত ৰখা, ওপৰৰ হাত নিম্ন হাততকৈ উত্তম (আনৰ ওচৰত কোনো বস্তুৰ কাৰণে হাত নপতাই উত্তম) আৰু এই শিক্ষাৰ ওপৰত ইমান গুৰুত্ব দিয়া হৈছে যে এসময়ত এজন চাহাবী কোনো গলিৰ মাজৰে অতিক্ৰম কৰি

থাকোতে তাৰ হাতৰ পৰা লেতেৰা বস্তুখিনি পৰি যায় আৰু এজন শিশুৱে দৌৰি আহি সেয়া উঠাবলৈ চেষ্টা কৰে তাৰ আগতেই তেওঁ সেই বস্তুখিনি থাপ মাৰি ধৰি উঠাই লয়, তেতিয়া শিশুৱে কয় আপুনি কিয় কষ্ট কৰিলে মই আহিয়েই আছিলো। তেওঁ কয় মোৰ আকা মৌলাই মোক এয়াই উপদেশ দিছে যে নিজৰ কাম নিজৰ হাতেৰে কৰা এই কাৰণে মই এয়া পছন্দ কৰা নাছিলো যে তুমি মোতকৈ আগত আহি মোৰ খোজাৰ আগতেই সেয়া মোক ধৰাই দিয়া।

এয়া সেই শিক্ষা যি মানুহৰ জীৱনত বিপ্লব আনিব পাৰিব। এই বিষয়ে কিছুমান ভুল জ্ঞান আৰু ভুল চুফিয়াজমৰ ফলত বুজি লয় যে পৃথিৱীৰ পৰা সম্পৰ্ক ছিন্ন হৈ যোৱা আৰু মানুহৰ খাদ্য যোগানৰ বাবে প্ৰস্তুত থকা এয়াই খোদা ভীৰু। কিন্তু এয়া কেতিয়াও নহয়। এজন মুছলমান ওলীউল্লাহৰ এটা ঘটনা মই আপোনালোকক শুনাই আছো।

এসময়ত তেওঁ নিজৰ ল'ৰাক বেপাৰ-বাণিজ্যৰ কাৰণে প্ৰেৰণ কৰে আৰু বহু বস্তু বাহানি লগতে দি দিয়ে। সেই কাফিলা (দল) জঙ্গলত অৱস্থান কৰে, সেই অৱস্থাত ৰাতি হৈ যায় তেতিয়া সেই ল'ৰাজনে দেখিবলৈ পায় যে এটা সিংহ আহি এটা পশু চিকাৰ কৰি জঙ্গলৰ ভিতৰলৈ চোঁচৰাই লৈ যায় আৰু যিমান খাব পাৰে খাই লয়, বাকীখিনি এৰি থৈ যায়, তাৰ পিছফালে **লগৰ বগৰ** (দুম্বাৰ নিচিনা এটা পশু) যাৰ পিছফালৰ ভৰি লেঙেৰা আছিল চোঁচৰি চোঁচৰি আহি পায় আৰু সিংহই এৰি থৈ যোৱা খিনি খাই নিজৰ পেট ভৰে। যেতিয়া তেওঁ এই দৃশ্য দেখিবলৈ পায় তেতিয়া তেওঁ নিজৰ বস্তু বাহানি নিজৰ কাফিলাক দি খালি হাতে উভতি আহে। যেতিয়া দেউতাই সুধিলে যে কোৱা,কিয় উভতি আহিলা আৰু কিয় খালি হাতে আহিছা, তেতিয়া তেওঁ কলে, খোদা তা'লা খাদ্য যোগানৰ মালিক মই এই দৃশ্য নিজ চকুৰে দেখা পাইছো। সকলো সৃষ্টিৰ দায়িত্ব সেইজনাৰ ওপৰত মোৰ কিয় প্ৰয়োজন আছে যে দুনিয়াৰ ফালে অগ্ৰসৰ হওঁ। এই বুজুৰ্গজনে উত্তৰ দিয়ে এই ৰহস্য মইয়ো জানিব পাৰিছিলোঁ, কিন্তু মই এয়া বিচাৰিছিলোঁ যে তুমি সেই সিংহ হোৱা যাৰ খোৱাৰ পিছত এৰি যোৱা খিনি **লগঢ় বগৰে** (দুম্বাৰ নিচিনা পশুয়ে)খায়।সেই

**লগৰ বগৰ** নহ'বা যিয়ে সিংহই খোৱাৰ পিছত অপেক্ষাত বহি থাকে।

এয়াই হ'ল সুন্দৰ শিক্ষাৰ ভাৰসাম্য। আল্লাহৰ কৃপাত শিখ জাতিয়ে ইয়াক বুজিব পাৰিছে আৰু আল্লাহৰ কৃপাত জামাতে আহমদীয়াও এই ইছলামী শিক্ষাৰ ওপৰত নিষ্ঠাৰে সৈতে প্ৰতিষ্ঠিত আছে। আমি ইমানলৈ চেষ্টা-প্ৰচেষ্টাত থাকো যাতে দুখীয়া সকলৰ প্ৰশ্ন নুঠোতেই সিহঁতলৈ যাব পাৰো। যথা সম্ভৱ নিজস্ব ভাৱে দান-বৰঙণি আগবঢ়োৱাৰ সম্পৰ্ক সেইফালে জামাত আহমদীয়াৰ ফালৰ পৰা সিহঁতৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাৰ প্ৰয়াস কৰা হয়। সকলো দুখীয়াক নিজৰ ভৰিত থিয় কৰোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখে যাতে ভিখাৰী সৃষ্টি হ'ব নোৱাৰে এনেকুৱা যাতে হয় যে সিহঁতে নিজৰ ভৰিত থিয় হ'ব পাৰে আৰু আন আন দুখীয়া সকলৰ সহকাৰী হ'ব পাৰে। আলহামদুলিল্লাহ জামাত আহমদীয়া এই বিষয়ে গোটেই পৃথিৱীত চেষ্টা-প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি মই এই জলছাত এয়া ঘোষণা কৰো যে জামাত আহমদীয়া হিন্দুস্থানৰ দুখীয়া এলেকাৰ বাবে মই এটা স্কীমৰ কথা ভাৰিছো তাৰ অধীনত ইনশ্বা আল্লাহ তাত বেপাৰ-বাণিজ্যৰ কাম আৰম্ভ কৰা হ'ব। এনেকুৱা বাণিজ্য আৰম্ভ কৰা হ'ব,এনেকুৱা Business ৰ কাম শিকোৱা হ'ব যাৰ ফলত আহমদী দুখীয়া সকল পৰিপূৰ্ণ ভাৱে নিজৰ ভৰিত থিয় হৈ উঠি মানৱ কল্যাণৰ বাবে উৎসাৰ সৈতে সেৱা আগবঢ়াব পাৰে।

জামাতে আহমদীয়া কোৰাণ কৰিমৰ আৰু এটা গুণ শিকিছে যে দুখীয়া সকলে কোৰবাণী কৰে দুখীয়া হোৱা সত্ত্বেও আন আন দুখীয়া সকলৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাৰ বাবে যিবিলাক সিহঁতৰ ওচৰত আছে সেয়া উত্থাপন কৰে। এয়া এনেকুৱা এক ধৰণৰ দৃশ্য যিয়ে উৰ্দ্ধ স্থানলৈ লৈ যায়। খোদাৰ ফালে ভ্ৰমণ একে স্থানতেই ৰৈ থকাৰ ভ্ৰমণ নহয় অৰ্থাৎ এটা শিক্ষা অৰ্জন কৰাৰ পিছত তাতকৈ উৰ্দ্ধ স্থান লাভ কৰে। অৰ্থাৎ আল্লাহ তা'লাৰ কৃপা আৰু উদাৰতাৰ সৈতে জামাত আহমদীয়া এই অসুবিধাৰ সন্মুখীন হোৱা সকলৰ ফালে দৃষ্টি নিক্ষেপ কৰি আছে; আৰু এয়া বিচাৰে যে সকলো মানৱজাতি এই ভাল কৰ্মত অংশ গ্ৰহণ কৰক।

হজৰত বাবা নানক চাহাবে কৈছে যে পৃথিৱীত আনৰ সেৱা আগবঢ়োৱা

উচিত। সেৱা আগবঢ়োৱা জনেই আল্লাহ তা'লাৰ চৰণত উপস্থিত হ'ব পাৰিব; আৰু নিজৰ পৰিপূৰ্ণ শৰীৰ, মন আৰু অৰ্থৰ সৈতে মানুহৰ সেৱা আগবঢ়োৱা উচিত। (ছিৰি ৰাগ মহল্লা প্ৰথম পৃঃ ২৫,২৬)

আঁ-হজৰত (ছাঃ)য়ে য'ত আনৰ প্ৰতি সন্মান জন্মাইছে তাতে সেৱা আগবঢ়োৱা আৰু অতি দৰিদ্ৰ সকলৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাৰ ফালে ইমান জোৰ দিছে যে যথা সম্ভৱ মই ধৰ্মৰ অধ্যয়ন কৰিছোঁ মই কোনো আন ধৰ্মত প্ৰবলতাৰ সৈতে ইমান বেছি মানৱ সেৱাৰ ওপৰত জোৰ দিয়াৰ কথা উল্লেখ পোৱা নাই। এয়া মই প্ৰতিযোগীতা হিচাপে কোৱা নাই বৰং এয়া সত্য। যেনেকুৱা মই আপোনালোকৰ সন্মুখত উপস্থাপন কৰো, যাৰ মাজতে মানৱ সেৱা আগবঢ়োৱাৰ উৎসা সৃষ্টি হৈছে তেওঁ নিজৰ ধৰ্মৰ বাহিৰেও কোৰাণ কৰিম আৰু হাদীছৰ অধ্যয়নো কৰা উচিত। তেওঁ বহুত নিজৰ পছন্দনীয় খাজানা তাতে পাব। আঁ-হজৰত (ছাঃ)য়ে খোদা আৰু ভৃত্যৰ মাজত সম্পৰ্ক স্থাপিত সম্বন্ধে বহু উদাহৰণ আমাৰ সন্মুখত দাঙি ধৰিছে। এঠাইত তেখেতে (ছাঃ)য়ে কৈছে কিয়ামতৰ দিন খোদা তা'লা নিজৰ ভৃত্যৰ সৈতে খং প্ৰকাশ কৰিব। তেওঁ ক'ব, মই তোমাক পছন্দ নকৰো। তেওঁ ক'ব কিয় ? খোদা তা'লা উত্তৰ দিব, মই ভোকাতুৰ আছিলো আৰু মই তোমাৰ ওচৰলৈ আহিছিলোঁ, তুমি মোৰ কাৰণে খাদ্যৰ যোগান ধৰা নাছিলা,মই তৃষ্ণা আছিলো তুমি মোক পানী পান কৰোৱা নাছিলা। মোৰ শৰীৰৰ কাপোৰ-কানি ফটা-পুৰণা আছিল তুমি মোক কাপোৰৰ ব্যৱস্থা কৰা নাছিলা। মই ঘৰৰ চাল (আচ্ছাদান) অবিহনে আছিলো তুমি মোক থকাৰ সুবিধাৰ কাৰণে ব্যৱস্থা কৰা নাছিলা।

সেই ভৃত্যই আল্লাহক ক'ব, হে প্ৰতিপালক ! তুমি বিশ্ববাসীক সকলো বস্তু দান কৰোঁতা; তোমাক কিয় এই বিলাকৰ প্ৰয়োজন আছিল ? সকলোকে পান কৰোৱায়,সকলোৰে কাৰণে খাদ্য যোগায়,সকলোকে পিন্ধুৱা, সকলোকে শান্তিৰ স্থান প্ৰদান কৰোঁতা,এয়া কেনেকুৱা কথা ? তেতিয়া আল্লাহ তা'লাই ক'ব ! যেতিয়া মোৰ দুখীয়া ভৃত্য ভোকাতুৰ আছিল তেতিয়া মই ভোকাতুৰ আছিলো তেতিয়া তুমি নিজৰ পেট ভৰি কৰি আহাৰ খাইছা কিন্তু দুখীয়াৰ

ভোকাতুৰৰ প্ৰতি কোনো লক্ষ্য ৰখা নাছিলা। অৰ্থাৎ মোৰ কথা পাহৰি গৈছিলা, যেতিয়া মোৰ ভৃত্য উলঙা আছিল তেতিয়া সিহঁতৰ শৰীৰ বস্ত্ৰৰে আৱৰি ৰখাৰ চেষ্টা কৰা নাছিলা। তেতিয়া মোক পাহৰি গৈছিলা, যেতিয়া মোৰ দৰিদ্ৰ ব্যক্তি তৃষ্ণাতুৰ আছিল, তুমি সিহঁতৰ তৃষ্ণা নিবাৰণ কৰা নাছিলা, অৰ্থাৎ মোৰ তৃষ্ণা নিবাৰণ কৰা নাছিলা। যেতিয়া সিহঁতৰ ঘৰ-দুৱাৰ নাছিল তেতিয়া তুমি সিহঁতৰ থকাৰ বাবে কোনো সুবিধাৰ ব্যৱস্থা কৰা নাছিলা।

অৰ্থাৎ খোদা তা'লা নিজৰ দৰিদ্ৰসকলৰ সৈতে এনেকুৱাই সম্পৰ্ক ৰাখে। এই শিক্ষা ইছলামৰ,আৰু এই শিক্ষাৰ পৰা পৃথক হৈ যিয়ে খোদা তা'লাৰ ভৃত্যৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰে তেতিয়া আল্লাহ তা'লাও তাৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰি দিয়ে।

অৰ্থাৎএই বিষয়াৱলীৰ প্ৰথম অংশ এয়া আছিল যে যিসকলে খোদা তা'লাৰ ভৃত্যক কষ্ট দিব খোজে,সিহঁতক আঘাত দিয়ে সেইসকলে কেতিয়াও খোদা তা'লাৰ হ'ব নোৱাৰিব।দ্বিতীয় অংশ আছিল যে যিসকলে খোদা তা'লাৰ ভৃত্য সকলৰ সেৱা আগবঢ়োৱাৰ কামত ন্যস্ত নাথাকে সিহঁতে আল্লাহৰ সন্তুষ্টি কেতিয়াও অৰ্জন কৰিব নোৱাৰে।

হিন্দু ধৰ্মত এই বিষয়ে এনেকুৱা শিক্ষা পোৱা যায় যাৰ পৰা মাথোঁ দুই চাৰিটা উদ্ধৃতি মই আপোনালোকৰ সন্মুখত উপস্থাপন কৰিব ধৰিছো,
ভগৱত গিতাৰ এয়া উদ্ধৃতি, হে অৰ্জুন ! যিসকল মানুহে পৃথিৱীৰ সকলো মানুহক পৃথক পৃথক নাভাৱি একে ধৰণৰ ভাৱে আৰু সিহঁতৰ সুখ নিজৰ সুখৰ নিচিনা আৰু সিহঁতৰ দুঃখ নিজৰ দুঃখৰ নিচিনা অনুতাপ কৰে সেই মানুহজন সকলোতকৈ উন্নত ধৰণৰ বুলি গণ্য কৰা হয়। (ভাগৱত গীতা অধ্যায় নম্বৰ ৬, শ্লোক নম্বৰ ৩২)

আকৌ ভাগৱত গীতা অধ্যায় নম্বৰ ১২ শ্লোক নম্বৰ ১৩ ত উল্লেখ আছে, যিয়ে কোনোবাৰ সৈতে শত্ৰুতা আৰু লোভ নাৰাখে, বন্ধুত্ব ৰাখে, যিয়ে দুঃখ,আনন্দক একেই ধৰণৰ ভাৱে,আৰু সকলো ধৰণৰ সৃষ্টিৰ সৈতে সহানুভূতি আৰু মৰম কৰে, সকলোৰে ওপৰত দয়া কৰে, হিংসা বিদ্বেষ ভাৱ নাৰাখে,ক্ষমা পৰায়ণ হয়, যি পায় সেইখিনিতেই সন্তুষ্ট,ধৈৰ্যশীল আৰু ধন্যবাদ জ্ঞাপন

কৰোঁতা,দৃঢ়তাৰ সৈতে প্ৰতিষ্ঠিত থাকে, যিয়ে বিনয়ৰ সৈতে মন-প্ৰাণেদি ঈশ্বৰত লাগি থাকে সেই খোদা ভীৰুতাক মই ভাল পাওঁ।

হজৰত জাবিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আঁ-হজৰত (ছাঃ)য়ে কৈছে, কিয়ামতৰ দিন তোমাৰ মাজত সকলোতকৈ বেছি প্ৰিয় আৰু সকলোতকৈ বেছি মোৰ নিকটৱৰ্তী সেই সকল হ'ব যিসকলে সকলোতকৈ বেছি চৰিত্ৰবান হ'ব; আৰু সকলোতকৈ বেছি অপ্ৰিয় সেই সকল ব্যক্তি হ'ব যিসকলে মুখ খুলি বেছি বেছি কথা কয় আৰু মানুহৰ মাজত গৌৰৱৰ সৈতে ফুৰে।

এই বিষয়ে বৰ সুন্দৰ শিক্ষা আমি ভাগৱত গীতাত পাওঁ আৰু এইদৰে বেদতো বহুত পৱিত্ৰ শিক্ষাৰ আদৰ্শ দেখিবলৈ পোৱা যায়। এই সকলোবিলাক আদৰ্শ অধ্যয়ন কৰি মানুহৰ হৃদয় বিশ্বাসৰে পৰিপূৰ্ণ হৈ যায় যে আমাৰ একেই খোদা আৰু প্ৰত্যেক ধৰ্মৰ আৰম্ভণীত বুজুৰ্গ মানুহৰ ওপৰত সেই এক খোদা প্ৰকাশ পাইছে; আৰু যদি সেই খোদাৰ সৈতে প্ৰেম কৰা হয় তেন্তে আমি পৰস্পৰে পৰস্পৰৰ প্ৰতি প্ৰেমৰ পৰম্পৰা বৃদ্ধি কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত গুৰু বাবা নানক চাহাব সম্পৰ্কে কৈছে,

এই কথাত কোনো সন্দেহ হ'ব নোৱাৰে যে বাবা নানক চাহাব এজন সত্যবাদী আৰু খোদা ভীৰু মানুহ আছিল। সেইসকলৰ অন্তৰ্ভুক্ত আছিল যিসকলক খোদা তা'লা নিজৰ প্ৰেমৰ চৰবত পান কৰায়।(ৰুহানি খাজাইন, পয়গানে ছুলাহ জিলদ ২৩ পৃঃ ৪৪৫)

আকৌ তেখেত (আঃ)য়ে কৈছে যে,

"جو دُور اِس سے اُس سے خدا دُور ہے"

(روحانی خزائن، ست بچن، جلد ۱۰ صفحہ ۱۲۱)

যদি তেখেতৰ অস্তিত্ব (অৰ্থাৎ হজৰত বাবা গুৰু নানক চাহাবৰ অস্তিত্ব)আৰু তাৰ পৱিত্ৰ শিক্ষাৰ পৰা কিছু লাভবান হ'ব পৰিলেহেঁতেন তেন্তে আজি হিন্দু মুছলিম সকলোৱে এক হ'ব পাৰিলেহেঁতেন। কিমান দুঃখৰ বিষয় আমাৰ এই ধাৰণাৰ পৰা ক্ৰন্দন আহে যে পুণ্যবান ব্যক্তি পৃথিৱীত আহিছে আৰু

পৃথিৱীৰ পৰা ইহলীলা সম্বৰণ কৰিছে,কিন্তু অজ্ঞসকলে সেই মূল্যবান শিক্ষাৰ পৰা পোহৰ অৰ্জন কৰিব পৰা নাই। (ৰুহানি খাজাইন,পয়গামে চুলাহ জিলদ নম্বৰ ২৩ পৃঃ ৪৪৬)
চুলা সম্পৰ্কে কৈছে,

یہی پاک چولہ ہے سکھّوں کا تاج
یہی کابلی مل کے گھر میں ہے آج
یہی ہے کہ نُوروں سے معمور ہے
جو دُور اِس سے اُس سے خدا دُور ہے
یہی جنم ساکھی میں مذکور ہے
جو انگد سے اِس وقت مشہور ہے
اِسی پر وہ آیات ہیں بینات
کہ جن سے ملے جاودانی حیات
یہ نانکؒ کو خلعت ملا سرفراز
خدا سے جو تھا دَرد کا چارہ ساز
اُسی سے وہ سب راز حق پاگیا
اُسی سے وہ حق کی طرف آگیا

(روحانی خزائن،ست بچن،جلد ۱۰ صفحہ ۱۶۱)

হজৰত শ্ৰীকৃষ্ণ মহাৰাজ সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে লিখিছে,

এবাৰ আমি হজৰত শ্ৰীকৃষ্ণ মহাৰাজক দেখিছো যে তেখেত ক'লা বৰণৰ আছিল; আৰু পাতল নাক আৰু চাপৰ কপাল আছিল। শ্ৰী কৃষ্ণ মহাৰাজ উঠি নিজৰ নাক আমাৰ নাকৰ সৈতে আৰু নিজৰ কপাল আমাৰ কপালৰ সৈতে মিলাইছে।( আলহাকাম জিলদ নম্বৰ ১২,১৭, ৬ মাৰ্চ ১৯০৮ পৃঃ ৭,তজকিৰাহ পৃঃ ১৩৮১ এডিশ্বন ১৯৬৯ মতবুৰা ৰাবুৰা)

এই বিষয়সমূহত আজি এই কথা আপোনালোকৰ কাৰণে বৰ আশ্চৰ্যমূলক যে এজন ব্যক্তি যেতিয়া কান্ধৰ সৈতে কান্ধ মিলায়, নাকৰ সৈতে নাক আৰু কপালৰ সৈতে কপাল মিলায়,মোৰ ওপৰত এই ৰহস্য মুকলি নহ'লহেঁতেন যদি মই নিউজিলেণ্ড নগ'লহেঁতেন যেতিয়া মই নিউজিলেণ্ড যাওঁ তেতিয়া দেখিবলৈ পাওঁ যে তাত এটা জাতি বসতি কৰে যাৰ পৰা জানিব পৰা যায় যে মানৱ সভ্যতাৰ পূৰ্বৰে পৰা তাতে বসতি কৰি আছে আৰু নিজৰ পুৰণি প্ৰথাসমূহ অব্যাহত ৰাখিছে। অৰ্থাৎ তাৰ নেতাবিলাকে নিজৰ প্ৰেম আৰু ঐক্য প্ৰকাশ কৰি মোৰ সৈতে সাক্ষাৎ কৰি মোৰ নাকৰ সৈতে নাক মিলায় আৰু কপালৰ সৈতে কপাল মিলায়,তেতিয়া সেইবিলাকৰ ফলত মোৰ ওপৰত দুটা আৱিষ্কাৰ ওলায়। আৱিষ্কাৰ এখনেই ওলায় কিন্তু তাৰ ফলত আৰু এখন লাভ অৰ্জন কৰিব পাৰো। আৱিষ্কাৰ এয়াই হয় যে হজৰত মছীহ মাওউদ (আঃ)ক দিব্য দৰ্শনত হজৰত শ্ৰী কৃষ্ণ মহাৰাজক দেখুৱা হয় নিশ্চিত ভাৱে সেই যুগত এনেকুৱাই প্ৰথা আছিল যেনেকুৱা পুৰণি জাতিসমূহৰ সভ্যতাৰ পৰা এটা দৃশ্য মই নিজে দেখিবলৈ পাইছো আৰু দ্বিতীয় ৰহস্য এয়া জানিব পৰা গৈছে যে এই স্থানবোৰত হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতা সম্পৰ্কে বহু শক্তিশালী সাক্ষী আছে নতুবা এজন সাধাৰণ মানুহ যিয়ে নিজৰ প্ৰবৃত্তিৰে কোনো বস্তু তৈয়াৰ কৰে। ভাৰতবৰ্ষৰ সভ্যতাত লালিত-পালিত সকলে এই কথা ধাৰণাই কৰিব নোৱাৰে যে দিব্য দৰ্শনত কোনো বৃদ্ধক দেখিবলৈ পাব আৰু তেওঁৰ সৈতে সাক্ষাৎ হ'ব বা নাকৰ সৈতে নাক মিলাব আৰু কপালৰ সৈতে কপাল মিলাব। বাস্তৱিকতে এইটো খোদা তা'লাৰ সত্য

যি অদৃশ্যৰ জানকাৰী ৰাখোঁতা সেইজনাই হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত প্ৰকাশ কৰিছে যে যি যুগত হজৰত শ্ৰী কৃষ্ণ মহাৰাজ আছিল সেই যুগত জাতিৰ মাজত ঐক্য আৰু প্ৰেমৰ প্ৰকাশৰ এনেকুৱাই প্ৰথা অব্যাহত আছিল।

আকৌ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেনেকুৱা ৰজা শ্ৰী কৃষ্ণক মোৰ ওপৰত প্ৰকাশ কৰা হৈছে, তেখেত এনেকুৱা পৰিপূৰ্ণ মানৱ আছিল যাৰ দৃষ্টান্ত হিন্দুসকলৰ কোনো ঋষি আৰু অৱতাৰৰ মাজত পোৱা নাযায় আৰু নিজৰ সময়ৰ অৱতাৰ অৰ্থাৎ নবী আছিল যাৰ ওপৰত খোদা তা'লাৰ পক্ষৰ পৰা পৱিত্ৰ আত্মা অৱতীৰ্ণ হৈছিল। তেখেত খোদা তা'লাৰ তৰফৰ পৰা বিজয়প্ৰাপ্ত আৰু স্বাগত আছিল। যিয়ে আৰিয়াৱৰতৰ ভূমিক পাপৰ পৰা পৰিত্ৰাণ কৰিছে। তেখেত নিজৰ যুগৰ সত্য নবী আছিল যাৰ শিক্ষা পৰৱৰ্তীত বহু কথাত পৰিৱৰ্তন কৰি দিছে। তেখেত খোদা তা'লাৰ প্ৰেমিক আছিল আৰু পুণ্যৰ বন্ধুত্ব আৰু বেয়াৰ শত্ৰু আছিল।(ৰুহানি খাজাইন, লেক্সাৰ ছিয়ালকোট,জিলদ ২০ পৃঃ ২২৮,২২৯)

হজৰত মহম্মদ (ছাঃ)য়েও হজৰত শ্ৰী কৃষ্ণ মহাৰাজৰ বিষয়ে উল্লেখ কৰিছে, হজৰত মছীহ মাওউদ (আঃ)সেই উদ্ধৃতি দি লিখিছে,

এবাৰ হজৰত মহম্মদ (ছাঃ)ৰ মাধ্যমে অইন ৰাষ্ট্ৰৰ নবীসকলৰ বিষয়ে প্ৰশ্ন কৰা হয়,তেতিয়া তেখেতে এয়াই কয় যে প্ৰত্যেক ৰাষ্ট্ৰতে খোদা তা'লাৰ নবী প্ৰেৰণ কৰিছে আৰু কৈছে,

كَانَ فِي الْهِنْدِ نَبِيًّا اَسْوَدَ اللَّوْنِ اِسْمُهُ كَاهِنًا

(দছতুৰুল উলামা আও জামেউলউলুম ফি ইছতালাহাতিল ফুনুন,তালিফ কাজি আব্দুল ছবা বিন আব্দুৰ ৰছুলুল আহৰনঙ্গৰ,বাব ইছকাফ মাআল আলিফ পৃঃ ৮১)

অৰ্থাৎ হিন্দুস্থানত এজন নবী অৱতীৰ্ণ কৰিছিল যি ক'লা বৰণৰ আছিল; আৰু তেখেতৰ নাম কাহিন আছিল,অৰ্থাৎ কন্‌হিয়া যাক কৃষ্ণ কোৱা হয়।

আকৌ হজৰত মছীহ মাওউদ (আঃ)ক কলিযুগৰ (শেষ যুগৰ) অৱতাৰ

খোদা তা'লাই বনাইছে। আৰু তেখেত (আঃ)ৰ ওপৰত এই নতুন ওহী অৱতীৰ্ণ হৈছে, "ہے رُدّر گوپال تیری استت گیتا میں لکھی ہے۔"

(روحانی خزائن،تحفہ گولڑویہ،تذکرہ صفحہ ایڈیشن ۱۹۶۹ء مطبوعہ ربوہ)

আন ঠাইত এই একেই ইলহাম এই শব্দত উল্লেখ কৰিছে,

"ہے کرشن رُدّر گوپال تیری مہما گیتا میں لکھی گئی ہے۔"

(روحانی خزائن ،لیکچر سیالکوٹ ،جلد ۲۰ صفحہ، تذکرہ صفحہ ۳۸۰ ایڈیشن ۱۹۶۹ء مطبوعہ ربوہ)

এতিয়া মই এই বিষয়সমূহ সমাপ্তি টানি, অৱশেষত কিছুমান কথা আপোনালোকৰ সন্মুখত উত্থাপন কৰিব ধৰিছো। এই সকলোবোৰ উদ্ধৃতিৰ উদ্দেশ্য মাথোন এটাই যে হিন্দুস্থানৰ ভূমিত কেইবা ধৰণৰ সাম্যবাদৰ চিহ্ন দেখিবলৈ পাই আছো। এইখন মোৰ প্ৰথম দেশ। ইয়াত মই জন্ম গ্ৰহণ কৰিছোঁ। ইয়াতে মই ডাঙৰ দীঘল হৈছো। এই ভূমিৰ মাটিৰে মোৰ অস্তিত্ব বনোৱা হৈছে, যদিও কিবা কাৰণে মোৰ প্ৰব্ৰজন কৰিব লগা হয় তথাপি মোৰ দৃঢ় প্ৰেম এই ধৰাপৃষ্ঠৰ সৈতে থাকিব; আৰু কাদিয়ানৰ ভূমিৰ সৈতে প্ৰত্যেক আহমদীৰ গভীৰ ভালপোৱা আছে যি কিয়ামতলৈ অব্যাহত থাকিব। এই আত্মীয়-স্বজনৰ সৈতে আৰু মোৰ এই ৰাষ্ট্ৰৰ সৈতেও প্ৰেম আছে যি ৰাষ্ট্ৰত কাদিয়ানৰ পৱিত্ৰ বস্তিৰ জনবসতি আছে। ধৰ্মই মোক এয়াই শিক্ষা প্ৰদান কৰিছে। আপোনাৰ ধৰ্মও মোক এয়াই শিক্ষা প্ৰদান কৰিছে। আপোনালোকৰ ধৰ্মই আপোনাক এয়াই শিক্ষা প্ৰদান কৰিছে যে পৰস্পৰে পৰস্পৰৰ প্ৰতি ভালপোৱা, প্ৰেম বৃদ্ধি কৰিব আৰু যেতিয়াই মই পৃথিৱীত অশান্তিৰ চিহ্ন দেখিবলৈ পাওঁ মোৰ হৃদয়ে বৰ কষ্ট পায়। কিন্তু বিশেষ কৰি হিন্দুস্থানত যেতিয়া অশান্তি দেখিবলৈ পাওঁ বা পাকিস্তানত অশান্তি দেখিবলৈ পাওঁ। যেতিয়া মানুহক এজনে আনজনৰ সৈতে কাজিয়া-বিবাদ কৰা দেখিবলৈ পাওঁ

বা ৰাষ্ট্ৰই ৰাষ্ট্ৰৰ সৈতে হিংসা বিদ্বেষ ভাৱ আৰু দূৰত্ব হোৱা দেখিবলৈ পাওঁ তেতিয়া মোৰ হৃদয় বৰ কষ্ট পায় আৰু মই প্ৰচুৰ কষ্ট অনুভৱ কৰো আৰু পৰৱৰ্তীত এনেকুৱা ভয়াবহতা দেখিবলৈ পাই আছো যাৰ জ্ঞান যদি আপুনি জানিব পাৰে তেতিয়া আপোনাৰ পিত্তস্থলী পানী হৈ যাব। বহু ভয়ানক দিন আমাৰ সন্মুখত আহিবলগীয়া আছে। এই কাৰণে মই আপোনালোকৰ মহান কিতাপসমূহৰ পৰা উদ্ধৃতিৰ সৈতে আপোনালোকক উপদেশ দিওঁ যে নিজৰ মহান কিতাপসমূহৰ উদ্ধৃতিৰ পৰা আহমদী আৰু গোটেই মুছলমান সকলক উপদেশ দিওঁ যে সময় আছে যে অতি সোনকালে পৰস্পৰে পৰস্পৰৰ সৈতে প্ৰেম ভালপোৱাৰ সম্পৰ্ক গঢ়ি তোলক আৰু হিংসা বিদ্বেষ চিৰদিনৰ বাবে বিদায় দিয়ক; নহলে এই পৃথিৱীত জীৱনৰ উদ্দেশ্যৰ পৰা আঁতৰ হৈ পৰিব।এনেকুবা বিপ্লবৰ সময় আহি পাইছে যাৰ উল্লেখ মই ইতিপূৰ্বে কৰিছোঁ, যাৰ ফলত পশ্চিমীয়া শক্তি এটা নতুন বিশ্বাসৰ সৈতে আৰু এনেকুৱা দৃঢ় ভাৱে দুনিয়াত বন্দী কৰিবলগীয়া হৈ আছে,যাৰ পিছত দুৰ্বল ৰাষ্ট্ৰসমূহ ধাৰণাই কৰিব নোৱাৰিব যে কেনেকৈ তাৰ পৰা ৰক্ষা পাব পাৰিব। এই শক্তি যদি পৰিপূৰ্ণ ভাৱে মানুহৰ মস্তিষ্কত প্ৰকাশিত হওঁক বা নহওঁক; কিন্তু পশ্চিমীয়া ৰাজনীতি এনেকুৱা বাবে উৎপত্তি হৈ আছে যে এই পথ অতিক্ৰম কৰাৰ বাবে প্ৰস্তুত হৈ আছে। এই ৰাজনীতিৰ বাক (শব্দ) আজি আমেৰিকাৰ হাতত, আৰু আমেৰিকা হিংসাৰ ক্ষেত্ৰত শীৰ্ষস্থানলৈ গৈ পাইছে যাৰ পিছত আকৌ সমাপ্ত হোৱাৰ আৰম্ভণী হৈ থাকে। কিন্তু এক বিশাল পৰিৱৰ্তন পৃথিৱীত অহাৰ আগতেই আমি বহু কষ্টৰে জীৱন অতিবাহিত কৰিব লাগিব বহু পৰীক্ষাৰ সন্মুখীন হ'ব লাগিব। যদি আমি আমাৰ ৰাষ্ট্ৰত শান্তি প্ৰতিষ্ঠিত নকৰো, যদি দৰিদ্ৰ জাতিয়ে দৰিদ্ৰ জাতিৰ সৈতে বহি নিজৰ জীৱিকা নিৰ্বাহৰ বস্তুৰ যোগান নধৰে তেতিয়া দিনক দিনে আমি দুৰ্বল হ'ব ধৰিম আৰু নিকৃষ্ট হ'ব ধৰিম, যাৰ ফলত বাহ্যিক ৰূপত গোলামৰ শিকলিত আৱদ্ধ হৈ যাম,যাৰ পৰা স্বাধীন হ'ব নোৱাৰিম যদি আল্লাহ তা'লাৰ তকদিৰে সেই গোলামী যুদ্ধ

সমাপ্ত নকৰে। প্ৰকাশ্য ভাৱে পৃথিৱী পিছুৱাই গৈছে। কিন্তু মই আপোনালোকক বিশ্বাস স্থাপন কৰোৱাও যে নিশ্চিত ভাৱে পৃথিৱী পিছুৱাই যোৱা নাই অৰ্থাৎ এই বিপ্লবৰ পিছত যি ৰাছিয়াৰ ওপৰত হৈছে এই বিপ্লবৰ পিছত বৰলনৰ দেৱাল ভাঙিছে; পৃথিৱী যুদ্ধৰ ফালে বেছি ওচৰ চাপি আছে, আৰু পৰৱৰ্তীত পৃথিৱী আৰু বেছি অশান্তিত পৰিণত হ'ব। সেই কাদিয়ানৰ পৰা ইয়াৰ পূৰ্বে আল্লাহ তা'লাৰ তৰফৰ পৰা অহা মহাপুৰুষ সকলে পৃথিৱীবাসীক প্ৰতিৱেদন কৰি গৈছে সেই প্ৰতিৱেদন আজি মই আপোনালোকৰ সন্মুখত উত্থাপন কৰিব ধৰিছো যি হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰতিৱেদন হয়। নিজকে শুধৰণী কৰি লওঁক। নিজৰ হৃদয় পৱিত্ৰ কৰি লওঁক। খোদা তা'লাৰ প্ৰেমত নিজৰ জীৱন আত্মসমৰ্পন কৰক,আৰু মানৱ জাতিৰ মাজত প্ৰেমৰ শিক্ষা প্ৰদান কৰক,পৰস্পৰ পৰস্পৰে প্ৰেমৰ সৈতে বসবাস কৰিবলৈ শিকক, নহলে তোমাৰ সন্মানীয় জীৱনৰ কোনো জামিন দিয়া নহ'ব।

এতিয়া চাওঁক আমি দৰিদ্ৰ ৰাষ্ট্ৰসমূহৰ বাজেট বেছিকৈ নিজৰ প্ৰতিৰক্ষাৰ কাৰণে খৰচ কৰি আছো। প্ৰতিৰক্ষাকাৰী বিৰোধ আৰু এখন দৰিদ্ৰ ৰাষ্ট্ৰৰ বিৰোধ আৰু সেই দৰিদ্ৰ ৰাষ্ট্ৰ নিজৰ বাজেটৰ বেছি অংশ নিজৰ প্ৰতিৰক্ষাৰ কাৰণে প্ৰস্তুত কৰি আছে আৰু এজন আনজনৰ কাৰণে ভয়াবহ পৰিস্থিতি সৃষ্টি কৰিব ধৰিছে। এনেকুৱা অশান্তিৰ মাজেৰে মানুহ কেনেকৈ জীৱন অতিবাহিত কৰিব।যি জাতিৰ সম্পত্তি এজনে আনজনৰ ৰক্তাত্ব কৰাৰ বাবে যুদ্ধ সামগ্ৰীৰ বাবে খৰচ কৰি আছে। সেই জাতিৰ দুখীয়া সকলক কোনে তেজ দিব। অৰ্থাৎ যেতিয়া যুদ্ধ হ'ব তেতিয়া দুখীয়া সকলৰ তেজ হয়তো দ্বিতীয়বাৰ যুদ্ধৰ বাবে ঠেলি দিয়া হ'ব। এয়া সহজ সৰল কথা,ইয়াৰ পৰা জাতিয়ে আজি কিয় নুবুজে। সিহঁতক কিয় আজি জাতিৰ মুখিয়ালসকলে নেদেখে।

অৰ্থাৎ মই আপোনালোকক উপদেশ দি আছো। যদি এনেকুৱা কৰা নহয় তেতিয়া বহুত বেয়া আৰু ভয়ানক দিন আহিবলগীয়া আছে যাৰ ব্যাখ্যা

কৰাৰ মোৰ ওচৰত সময় নাই।

মই নজমৰ শেষৰ শ্লোকৰ আগতেই এটা শ্লোক কৈছিলো।সেয়া উভয় জাতিৰ মাজত যেন ঐকতা সৃষ্টি হয় আৰু এক খোদাৰ ফালে আকৃষ্ট কৰাৰ উন্নত ধৰণৰ ধ্বনি হয়। **ৰাহে গুৰু**, আল্লাহ আকবৰ, খোদা কৰক এই ধ্বনি যাতে ধ্বনি আকাৰেই নাথাকে,অৰ্থাৎ নিশ্চিত ভাৱে আমাৰ হৃদয় যেন এক খোদাৰ প্ৰেমত সৰ্বদা আৱদ্ধ থাকে। এতিয়া মই আপোনালোকৰ পৰা অনুমতি খোজো,সময় বেছি হৈ গৈছে যোৱাৰ আগতে কিছুমান কথা আপোনালোকৰ সন্মুখত দোৱা আকাৰে ৰাখিব খুজিছো।

জামাত আহমদীয়া পৃথিৱীৰ যিকোনো অংশত বসবাস নকৰক কিয় সিহঁতৰ কাদিয়ানৰ সৈতে গভীৰ ভালপোৱা আছে আৰু বিশেষ ভাৱে পাকিস্তানৰ বসবাসকাৰীসকলৰ। দীৰ্ঘ সময় ধৰি এই ধাৰণা হৃদয়ত বান্ধি লৈছে যে সম্ভৱত আমাৰ প্ৰিয় আকাৰ কাদিয়ানৰ তীৰ্থযাত্ৰা হিন্দুস্থানৰ চৰকাৰ বা কাদিয়ানৰ বাসিন্দা সকলৰ অপছন্দ হয়; আৰু এয়াই এক প্ৰভাৱ আছিল যাৰ ফলত বা কোনো বেলেগ কাৰণৰ বাবে জামাতৰ খলিফাৰ ভাৰতবৰ্ষ বিভাজনৰ পিছত ইয়াত অহাৰ সৌভাগ্য হোৱা নাই। মই যেতিয়া অহাৰ সিদ্ধান্ত লৈছো তেতিয়া মই বহু দোৱা কৰিছোঁ। যাৰ ফলত গোটেই পৃথিৱীৰ ফালৰ পৰা খোদা তা'লাৰ আঙুলি এই ফালে ইঙ্গিত কৰে যে তোমাৰ কাদিয়ান যোৱা খোদা তা'লাৰ ইচ্ছাত হ'ব, আৰু ইয়াতেই কল্যাণ নিহিত,আৰু গোটেই পৃথিৱীৰ উপকাৰ ইয়াৰ মাজতেই আছে। ইয়াৰ ফলত পৱিত্ৰ বিপ্লব প্ৰকাশ পাব।

সেই দিব্য দৰ্শন যাক মই এখন বেলগ ফাইলত সুৰক্ষিত ৰাখিছো সেয়া আপুনি অধ্যয়ন কৰক তেতিয়া আপুনি হতবিম্ব হৈ যাব কেনেকৈ খোদা তা'লাই পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰত আহমদী সকলক এই কল্যাণমণ্ডিত ভ্ৰমণ সম্পৰ্কে বিশ্বাস প্ৰদান কৰিছে আৰু কৈছে যে এই ভ্ৰমণ খোদা তা'লাৰ ইচ্ছানুযায়ী হ'ব আৰু কল্যাণমণ্ডিত হ'ব,আৰু কিছুমান সংবাদ মোক সন্তুষ্টি

কৰাৰ বাবে এনেকুৱা বিস্তাৰিত ভাৱে প্ৰদান কৰিছে যে মোৰ হৃদয় কঁপি উঠিছে আৰু আত্মা সাষ্টাঙ্গে প্ৰণিপাত কৰিছে। কেতিয়াবা এয়া সৰু কথা হ'ব পাৰে কিন্তু সেয়া মানুহৰ বাবে এনেকুৱা পৰিপূৰ্ণ বিশ্বাস হৈ যায় যে আল্লাহ তা'লা অতি মৰমেৰে আৰু সূক্ষ্ম দৃষ্টিৰে আমাক দেখি আছে আৰু বিশ্বাস স্থাপন কৰাব বিচাৰে যে মই তোমালোকৰ সৈতে আছো, আগবাঢ়ি যোৱা আৰু যি লাভালাভ তোমালোকৰ বাবে আছে সেয়া অৰ্জন কৰা।

এসময়ত আমি লণ্ডনত বহি কথা-বতৰা পাতি আছিলো যে শিশুয়ে কেনেকৈ তাতে যাব তেতিয়া মোৰ এজন নাতিয়ে সৈনিকসকলৰ বস্ত্ৰ পিন্ধি আছিল আৰু নাতিজন সৰু আছিল; আৰু তাৰ বৰ ইচ্ছা আছিল যে তেওঁ সৈনিক বস্ত্ৰৰ সৈতে হিন্দুস্থান যাব আৰু তাৰ মাতৃয়ে কৈছিল এইটো পাকিস্তানি সৈনিকৰ বস্ত্ৰ, নাজানো সিহঁতে কি ভাৱিব যে কি নিয়তৰ সৈতে আহিছে, মই কলো দুই আঢ়াই বছৰৰ শিশু সিহঁতে কি ভাৱিব মোৰ ইচ্ছা পূৰ্ণ কৰিব দিয়া সিহঁতৰ বিৰোধ যেতিয়া বেছি হয় তেতিয়া মই এই সিদ্ধান্ত ললো যে মোক আহমদী ল'ৰাৰ সৈনিকৰ বস্ত্ৰ বেছি পছন্দ। কাদিয়ান যোৱাৰ বাবে সৈনিকৰ বস্ত্ৰ মোৰ বেছি পছন্দ বেলেগ কাপোৰতকৈ। যেতিয়া মই তলত কাৰ্যালয়লৈ যাওঁ তেতিয়া ডাকখানাত এখন চিঠি দেখা পাওঁ যে মই ভাল ফলাফলৰ বাবে খোদা তা'লাৰ ওচৰত প্ৰাৰ্থনা কৰো। তেতিয়া খোদা তা'লা মোক এই দৃশ্য দেখুৱায় যে হিন্দুস্থানৰ জলছাত যোৱাৰ সময়ত আপোনাৰ ছোৱালীৰ বাবে সাধাৰণ কাপোৰ পছন্দ আৰু ল'ৰাৰ বাবে সৈনিক বস্ত্ৰ পছন্দ। এতিয়া কওঁক সেয়া কি শক্তি আছিল যি দূৰত বহি থাকি বেলেগ ৰাষ্ট্ৰৰ এজন আহমদীক এই দৃশ্য দেখুৱা হয় আৰু সময় ইমান Perfect আছিল যে ওপৰৰ পৰা কথা-বতৰা পাতি মই তলত আহো আৰু গৈ দেখা পাওঁ সেই চিঠি তাত আছে য'ত এই কথাবোৰ লিখা আছিল যিবিলাক আমাৰ মাজত আলোচনা হৈছিল। এইদৰে খোদা তা'লা অতি সূক্ষ্মতাৰে মোৰ উৎসা বৃদ্ধি কৰে আৰু বিশ্বাস স্থাপন কৰোৱায় যে খোদা তা'লাৰ তকদিৰ হয় যিয়ে তোমাক তাতে লৈ গৈ

আছে।

এতিয়া আৰু ঘটনা শুনি লওঁক, তাতে আমাৰ বন্ধু উছমান চীনা চাহাব আছিল। যিজনে চীন ভাষাত কোৰাণ মজিদৰ অনুবাদ কৰিছে। মোৰ বাল্যকালৰ ক্লাছমেট আছিল। পৱিত্ৰবান আৰু দোৱাত মগ্ন থকা মানুহ আছিল। তেখেতক মই ইছতিখাৰা (ভাল ফলাফলৰ বাবে দোৱা)ৰ বাবে লিখো। তাৰ পৰা আচৰিত ধৰণৰ উত্তৰ আহে তেখেতে কয় যে মই দিব্য দৰ্শনত দেখা পাও যে আপোনাৰ সৈতে আপোনাৰ ঘৰৰ প্ৰায় বাৰ বা তেৰ জন মানুহ; আৰু এয়া লক্ষ্য আছিল যি ঘৰত আপোনাক থকাৰ ব্যৱস্থা কৰিছে তাৰ পৰা দুখন ঘৰ খালি কৰা হৈছে বা খালি কৰোৱা নাই,তেতিয়া মই এয়া কওঁ যে বংশৰ সদস্য বেছি এই কাৰণে দুখন ঘৰ খালি কৰাই ভাল হ'ব। এই দিব্য দৰ্শন দেখা পাওঁ। কাদিয়ানৰ পৰা এই সংবাদ প্ৰেৰণ কৰে যে আপোনাৰ ঘৰত অৰ্থাৎ উম্মে তাহিৰৰ ঘৰত য'ত আপোনাৰ থকাৰ ব্যৱস্থা কৰা হৈছিল তাতে দুজন দৰৱেশ এতিয়ালৈকে অৱস্থান কৰি আছে, আমি সিদ্ধান্ত লৈছো যে তেখেতসকলক বেলেগ ঠাইত স্থানান্তৰ কৰো যাতে আপোনাৰ বাবে পৰিপূৰ্ণ সুবিধাৰ ব্যৱস্থা হৈ যায়।মই সিহঁতলৈ লিখিলো আৰু এই লিখাৰ পিছতেই মই চিঠি পাওঁ। মই সিহঁতলৈ চিঠি লিখি আছিলো যে মই এয়া পছন্দ নকৰো যে দৰৱেশসকলক কষ্ট দিওঁ আৰু যেতিয়ালৈকে সিহঁতে নিজৰ ইচ্ছাত ঘৰ খালি নকৰে সেই সময়লৈকে সিহঁতক তাৰ পৰা বেলেগ ঠাইত স্থানান্তৰ নকৰিব। এই চিঠিখন লিখা শেষ হোৱাৰ পিছতেই উছমান চীনা চাহাবৰ চিঠি মোৰ সন্মুখতেই আছিল। তাৰ পৰা মোৰ এয়া বিশ্বাস হৈছিল যে খোদা তা'লাৰ তকদিৰ মোক ক'ব ধৰিছে তোমাৰ সিদ্ধান্তই সঠিক। অৰ্থাৎ সিহঁতৰ ফালৰ পৰা Fax আহে যে দুয়োজন দৰৱেশ বৰ নম্ৰতা আৰু উৎসাৰ সৈতে কয় যে আমাক কোনো ধৰণৰ কষ্ট নহয়,বেলেগ ঘৰ সম্ভৱত আমাৰ কাৰণে আৰু বেছি ভাল হ'ব এই কাৰণে আমাক স্থানান্তৰ কৰি দিয়ক। যি বাৰ আৰু তেৰ ৰ সম্পৰ্ক আছিল সেয়া মোৰ ল'ৰা-ছোৱালী আৰু তেখেতৰ ল'ৰা-

ছোৱালী লগতে জামাতৰ প্ৰতিনিধি মিলাই মোৰ সৈতে ১২ (বাৰ)জন আছিল। মই আৰু মোৰ স্ত্ৰীক মিলাই ১৪ (চৌধ্য) জন আছিলো। মই এয়া ধাৰণা কৰিছিলোঁ যে জামাতৰ প্ৰতিনিধি হিচাপে কেৱল আমি দুই জনেই যাম, আৰু বাকী নিজস্ব ভাৱে মই লগত লৈ যাম,এই কাৰণে আল্লাহ তা'লা এই দিব্য দৰ্শনত সিহঁতক এই দৃশ্য দেখুৱাইছে যে ১২ বা ১৪ জন মানুহ; আৰু সিহঁতৰ কাৰণে মুকলি ঠাইৰ দৰকাৰ। এতিয়া চাওঁক যদি খোদাৰ সৈতে সম্পৰ্ক নাথাকে আৰু খোদা আমাক মৰমৰ দৃষ্টিৰে নেদেখে তেন্তে ইমান সূক্ষ্ম ব্যাখ্যাৰ সৈতে কিয় আমাৰ বিষয়ে আকৃষ্ট হৈ আছে আৰু কিয় সময়ৰ আগতে আমাক ভৱিষ্যতত হ'বলগীয়া সংবাদ জনাই আছে।

মই আপোনালোকক স্মৰণ কৰাব খোজো যে খোদা তা'লাৰ সম্পৰ্কৰ ফলত এই ছিলছিলা,এই বস্তি কাদিয়ানৰ পৰা আজিৰ পৰা প্ৰায় এশ বছৰ আগতে আৰম্ভ হৈছিল। এইটো সেই বস্তি যাৰ আমি সদায় কৃতজ্ঞতা কৰি থাকিম। কাৰণ এই বস্তিৰ বাটেদি মক্কা আৰু মদিনাক মিলোৱা হৈছে; আৰু এই বস্তিৰ বাটেদি আমাক চৌধ্যশ বছৰৰ দূৰত্ব অৱশেষত গৈ আকৌ পূৰ্বৰ লগত মিলাই দিছে। এই কাৰণে এই বস্তিৰ উদাৰতা চিৰদিনৰ বাবে আমাৰ হৃদয়ত থাকিব। কৃতজ্ঞতাৰ প্ৰশ্ন নহয় আমি ইয়াৰ প্ৰেমত আৱদ্ধ হৈ পৰিছোঁ আৰু পৃথিৱীৰ যি ঠাইতে নহওঁক কিয়, প্ৰত্যেক আহমদীৰ হৃদয়ত মহব্বত আৰু উৎসা দেখিবলৈ পোৱা যায়।

যেতিয়া মই ইয়ালৈ আহি আছিলো তেতিয়া মোৰ এই একেই পৰিস্থিতি আছিল মোৰ ল'ৰা-ছোৱালীৰো একেই অৱস্থা এনেকুৱা যেন লাগিছে যে সিহঁতে সপোন দেখি আছে। জনা নাছিল যে সপোনৰ কোনো অৰ্থ ওলাব নে নাই। এই পৰিস্থিতি বিশ্বাসযোগ্য নাছিল যে এটা সপোনৰ নিচিনা আমি সময় কটাব ধৰিছো। যেতিয়া আমি ইয়াত উপস্থিত হওঁ তেতিয়া এনেকুৱা অনুভৱ হয় যে সপোনৰ ব্যাখ্যা এক সপোনেই আছিল, যিমান সময় আমি ইয়াত অতিবাহিত কৰিছোঁ,আৰু যেতিয়া মোৰ লগৰীয়া সকলক মই সুধিলো

সিহঁতৰ এনেকুৱাই অনুভৱ হৈছিল যে সপোনৰ ব্যাখ্যাৰ পৰিৱৰ্তে সন্মুখত সপোনহে পাওঁ যে যিমান সময় অতিবাহিত কৰিলোঁ এক সপোনৰ নিচিনা অতিবাহিত কৰিলোঁ। এতিয়া সেই দিন কাষ চাপি আহি আছে যে এই সপোন সপোন হৈয়ে থাকিব। যদি মই ইয়াৰ পৰা বিদায় লোৱাৰ কথা ভাৱো তেতিয়া মোৰ হৃদয় দুঃখত বিগলিত হৈ পৰে। এই বস্তি মোৰ ইমান প্ৰিয়, ইমান প্ৰিয় যে প্ৰাণ বিচাৰে যে গোটেই জীৱন এই ভূমিত অতিবাহিত কৰো। ইয়াৰ বতাহৰ পৰা শ্বাস লৈ আৰু এই গলিৰে পৰা খোজ আগবঢ়াই হজৰত মছীহ্ মাওউদ (আঃ) আৰু তেখেত (আঃ)ৰ প্ৰিয় সকলৰ স্মৰণত নিজৰ জীৱন ইয়াতেই অতিবাহিত কৰো; আৰু এই অনুভৱ আপোনালোকৰ সকলোৰে হয়। কিন্তু শেষত আমি বিদায় ল'ম; কিন্তু মই আপোনালোকক এইটো বিশ্বাস স্থাপন কৰোৱাও যে কাদিয়ানৰ এই ভ্ৰমণ প্ৰথম আছিল কিন্তু শেষ নহয়। হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহ তা'লা প্ৰকাশ্য ইলহামত বিস্তাৰিত ভাৱে সংবাদ প্ৰদান কৰিছে, যাৰ পৰা জানিব পাৰো যে শান্তিময় পৰিৱেশত কাদিয়ানত যাব লাগিব; আৰু এনেকুৱা এবাৰ নহয়, দুবাৰ, তিনিবাৰ, চাৰি চাৰি বাৰ হ'ব। অৱশেষত আল্লাহ্ তা'লা যুগৰ পৰিস্থিতি এনেকুৱা ভাৱে পৰিৱৰ্তন কৰি দিব যে এই ৰাষ্ট্ৰ আৰু ইয়াৰ বাসিন্দা সকলে আমাক চিৰকালৰ বাবে ইয়াৰ বাসিন্দা বুলি গ্ৰহণ কৰিব।

আৰু প্ৰেমৰ সৈতে ইয়াতে বসবাস কৰাৰ আহ্বান কৰিব, তাৰ কিছু প্ৰভাৱ মই ভ্ৰমণ কৰি থাকোতে দেখিবলৈ পাইছো।যেতিয়া আমি দাৰুল আনোৱাৰৰ ভ্ৰমণ কৰি উভতি আহিছিলোঁ তেতিয়া এটা কোঠালিৰ পৰা এজন সন্মানীয় শিখ আৰু তেখেতৰ বেগম (স্ত্ৰী) থিয় হৈ আছিল। মই সিহঁতক ছালাম জনাওঁ, সিহঁতেও ছালাম জনালে আৰু ওচৰত আহি কলে মই এই অনুৰোধ কৰিবলৈ থিয় হৈছো যে আপুনি আহিছে যদি (কাদিয়ানৰ পৰা) উভতি নাযাব। আমাক আপোনাৰ প্ৰয়োজন আছে। চিৰদিনৰ বাবে আমাৰ হৈ ইয়াতে থাকক।

মনত ৰখা এই প্ৰেমৰ উৎসা যি সিহঁতৰ অতি সুন্দৰ ব্যৱহাৰে সাক্ষী প্ৰদান কৰে আৰু সিহঁতৰ মানৱতাই সাক্ষী প্ৰদান কৰে যে কাদিয়ানৰ দৰৱেশ সকলৰ অধিকাৰৰ বাবেও বিৰাট ডাঙৰ সাক্ষী যে সিহঁতে অতি ধৈৰ্য্যৰ সৈতে ইয়াত জীৱন অতিবাহিত কৰিছে, প্ৰেমৰ সৈতে দিন অতিবাহিত কৰিছে আৰু অতি উন্নত ধৰণৰ চৰিত্ৰৰ ওপৰত প্ৰতিষ্ঠিত থাকি দিন অতিবাহিত কৰিছে,সেই মানুহবিলাক যিসকল আঁতৰত আছিল সিহঁতক কাষতীয়া কৰিছে আৰু সিহঁতৰ হৃদয়ৰ পৰা সন্দেহ আঁতৰ কৰি দিছে,পুণ্য কৰ্মৰ জৰিয়তে আৰু অতি সুন্দৰ ব্যৱহাৰৰ জৰিয়তে। এই দৰৱেশ সকলেই যিসকলৰ কোৰবাণী, যিসকলৰ সুন্দৰ ব্যৱহাৰে আমাৰ বাট শক্তিশালী কৰি দিছে। আজিও সিহঁতৰ কাৰণে দোৱাত স্মৰণ ৰাখিব, উভতি যোৱাৰ সময়তো সিহঁতৰ কাৰণে দোৱা কৰিব, আৰু খোদা তা'লাৰ সেই প্ৰত্যাদিষ্টৰ ওপৰত পৰিপূৰ্ণ বিশ্বাস স্থাপন কৰা আৰু সেই ঈমানৰ সৈতে উভতি যাওঁক যে খোদা তা'লা আপোনালোকক আকৌ উভতাই আনিব। আল্লাহ কৰক মইয়ো আপোনালোকৰ সৈতে আকৌ উভতি আহিম। আল্লাহ কৰক আমি যেন বাৰে বাৰে ইয়াত আহিব পাৰো আৰু বাৰে বাৰে এই জলছাৰ দৃশ্য বিস্তাৰিত লাভ কৰে,অৰ্থাৎ সেই জলছা যি পাকিস্তানত আমি শেষ জলছা দেখিবলৈ পাইছিলোঁ আঢ়াই লাখ মানুহ আছিল। খোদা কৰক এনেকুৱা দিন আহক যে কাদিয়ানত আমি দহ দহ লাখ বিশ বিশ লাখ মানুহৰ সৈতে জলছা উৎযাপন কৰিব পাৰো আল্লাহ কৰক এনেকুৱাই হওঁক।

আহমদীসকলৰ জলছা কোনো মেলা নহয়। আহমদীয়তৰ জলছা মানুহৰ জীৱনৰ কাৰণে এক যুক্তিসঙ্গত পয়গামৰ সততা। মানুহৰ নতুন জীৱনৰ বাবে মানুহক বিপদৰ পৰা ৰক্ষা পোৱাৰ বাবে কাদিয়ানৰ জলছা এক আদৰ্শ স্বৰূপ হয়। ইয়াত সকলো জাতি বিশুদ্ধ হৃদয়ৰ সৈতে প্ৰেম-প্ৰীতি জাগ্ৰত হোৱা দেখিবলৈ পায়। ইয়াত ইংৰাজ আহমদী মুছলমান হওঁক বা আমেৰিকান আহমদী মুছলমান হওঁক বা জাৰ্মানৰ আহমদী মুছলমান হওঁক বা হিন্দুস্থানৰ

আহমদী মুছলমান হওঁক সকলোৱে নিজৰ মাজৰ পৰা সকলো ধৰণৰ ফিৰকাক সমাপ্ত হোৱা দেখিবলৈ পাব। অৰ্থাৎ যদি সঁচাকৈয়ে পৃথিৱীত জাতীয় ঐক্যৰ ভেঁটি স্থাপন কৰা হয় তেতিয়া মই খোদা তা'লাৰ শপত লৈ কওঁ যে এইটো সেই ভূমি য'ত ভৱিষ্যতে জাতিসমূহৰ মাজত ঐক্যৰ ভেঁটি স্থাপিত হ'ব।

দোৱাত এই দয়া কৰোঁতা সকলক স্মৰণ ৰাখিব যিসকলে ভাল ব্যৱহাৰ কৰিছে আৰু ভাৰতবৰ্ষৰ হুকুমত (চৰকাৰ)ক ধন্যবাদ জ্ঞাপন কৰো,কাৰণ হজৰত মহম্মদ (ছাঃ)য়ে আমাক এই শিক্ষা প্ৰদান কৰিছে; যিয়ে খোদা তা'লাৰ ভৃত্যৰ ধন্যবাদ জ্ঞাপন নকৰে তেওঁ খোদা তা'লাৰো ধন্যবাদ জ্ঞাপন নকৰে। অৰ্থাৎ খোদা তা'লা তাৰ ধন্যবাদ গ্ৰহণ কৰে।

আমাৰ সৈতে এই শাসনকৰ্তাই বহু ভাল ব্যৱহাৰ কৰিছে,পঞ্জাৱ চৰকাৰ আৰু ভাৰতবৰ্ষৰ চৰকাৰেও আমাৰ সৈতে ভাল ব্যৱহাৰ কৰিছে।অৰ্থাৎ আমি সকলোকে দোৱাত স্মৰণ ৰাখিম। নিজৰ পৰিৱেশৰ অমুছলিম সকলেও আমাৰ সৈতে উন্নত ধৰণৰ আচৰণ কৰিছে সিহঁতকো স্মৰণ ৰাখিম, কাদিয়ান বস্তিৰ মানুহসকলকো স্মৰণত ৰাখিম,পাকিস্তানৰ পৰা আহিব নোৱাৰা সকলৰ বাবেও দোৱা কৰিম, সেই ৰাষ্ট্ৰসমূহকো স্মৰণ ৰাখিম য'ত মানৱৰ স্বাধীনতাক প্ৰতিবন্ধক লগাইছে, য'ত ৰাজনৈতিক সকলে এই সাহস দেখুৱাইছে যে ধৰ্মৰ ক্ষেত্ৰত দখল দিয়ক,য'ত দখল দিয়া সিহঁতৰ উচিত নাছিল,য'ত খোদা তা'লাৰ স্মৰণত পহৰা বহুৱা হৈছে, য'ত কলিমা তৌহিদ প্ৰকাশ কৰাত পহৰা বহোৱা হৈছে,অৰ্থাৎ সেই অত্যাচাৰীত সকলৰ বাবেও দোৱা কৰিম যে সিহঁত আমাৰ ভাই হয়। আল্লাহ তা'লা সিহঁতৰ হাত অত্যাচাৰ কৰাৰ পৰা আঁতৰত ৰাখে যেন, আৰু শেষত আপোনালোকৰ ওচৰত কাৰাগাৰত থকা সকলৰ বাবেও দোৱাৰ আবেদন কৰো, দীৰ্ঘকাল ধৰি দুঃখ সহ্য কৰি আছে। সিহঁতে কোনো অপৰাধ কৰা নাই।

সিহঁতে মাথোন এয়া ঘোষণা কৰিছে

اشهدان لا اله الاّ الله وَ اشهَدان محمد رسول الله

অৰ্থাৎ আল্লাহ এক আৰু মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ)আল্লাহৰ প্ৰেৰিত ৰছুল। এই অপৰাধত হাজাৰ হাজাৰ লাখ লাখ মানুহ আছে যিসকলে কাৰাগাৰত আৱদ্ধ হৈ আছে; আৰু নিষ্পাপ এনেকুৱা আছে যিসকলক ফাঁচি দিয়াৰ সিদ্ধান্ত লৈছে, খোদা তা'লাই অত্যাচাৰীৰ সেই হাত টানি ধৰিছে। কিন্তু এতিয়া সিহঁত কাৰাগাৰত আবদ্ধ হৈ আছে, সিহঁতৰ বাবে বেছিকৈ দোৱা কৰিব যাতে খোদা তা'লা উভয় ৰাষ্ট্ৰত বিশেষ কৰি এনেকুৱা বিপ্লব সৃষ্টি কৰক,যাতে মানুহ মানুহৰ অত্যাচাৰৰ পৰা চিৰকালৰ বাবে স্বাধীন যেন পাই যায়।

এতিয়া মই অনুমতি বিচাৰো,মুবাৰক শতাধিক মুবাৰক আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক সম্বোধন কৰি এয়া কৈছে যে এনেকুৱা দিন আহিবলগীয়া আছে যে জামাত আহমদীয়াক ভাল পোৱা সকলে পৰস্পৰ পৰস্পৰে এই শব্দত মুবাৰকবাদ দিব, মুবাৰক শ মুবাৰক।

খোদা তা'লা আমাক এই সৌভাগ্য প্ৰদান কৰিছে যে জামাতৰ শত বৰ্ষ পৰিপূৰ্ণতাত আমি পৰস্পৰে পৰস্পৰক মুবাৰক শ মুবাৰক কৈছো, আজি এই বাৰ্ষিক জলছাৰ এশ বছৰ পূৰ্ণ হয়। আজি মই এই শব্দত আপোনালোকৰ সকলোকে এয়া কওঁ যে মুবাৰক শ মুবাৰক, আমি আকৌ মিলিত হ'ম, যদি খোদা তা'লা ইচ্ছা কৰে। আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহে ওৱা বাৰাকাতুহু।

# সমাপ্ত

****************